# উদ্ভিদ বৈচিত্র্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

২০০১ ৰ সংখ্যা ৫৩

[৩০ অক্টোবৰ, ২০০১]

উদ্ভিদ বৈচিত্র্য, কৃষক আৰু উদ্ভিদ প্ৰজনকৰ অধিকাৰ সুৰক্ষাৰ বাবে এটা প্ৰভাৱী পদ্ধতি স্থাপনৰ বাবে উপবন্ধ কৰিবলৈ আৰু উদ্ভিদৰ নতুন বৈচিত্র্যৰ বিকাশক উদ্‌গনি দিবলৈ এখনি অধিনিয়ম।

যিহেতুকে, নতুন উদ্ভিদ বৈচিত্র্যৰ বিকাশৰ বাবে উদ্ভিদ আনুবংশিক সম্পদাৰ যি কোনো সময়ত, সংৰক্ষণ, উন্নীতকৰণ আৰু সহজলভ্য কৰাত তেওঁলোকৰ অৱদানৰ ক্ষেত্ৰত কৃষকৰ অধিকাৰক স্বীকৃতি আৰু সুৰক্ষা দিয়াটো ইয়াক আৱশ্যক বুলি বিবেচিত কৰা হয় ;

আৰু যিহেতুকে, দেশত ত্বৰিত কৃষি বিকাশৰ বাবে, নতুন উদ্ভিদ বৈচিত্র্যৰ বিকাশৰ অৰ্থে, ৰাজহুৱা বা ব্যক্তিগত খণ্ডত উভয়তে গৱেষনা আৰু বিকাশৰ বাবে বিনিয়োগ বৰ্দ্ধিত কৰিবলৈ উদ্ভিদ প্ৰজনকৰ অধিকাৰক সুৰক্ষা দিবলৈ, আৱশ্যক হয় ;

আৰু যিহেতুকে, এনে সুৰক্ষাই দেশত বীজ উদ্যোগৰ ক্ৰমোন্নতি সুচল কৰিব, যিয়ে কৃষকলৈ উচ্চ মানৰ বীজ আৰু ৰোপন দ্ৰব্যৰ সহজলভ্যতা সুনিশ্চিত কৰিব ;

আৰু যিহেতুকে ওপৰোক্ত বিষয়ক প্ৰভাৱী কৰিবলৈ, কৃষক আৰু উদ্ভিদ প্ৰজনকৰ অধিকাৰৰ সুৰক্ষাৰ বাবে ব্যৱস্থা লোৱাটো আৱশ্যক হয় ;

আৰু যিহেতুকে, যৌক্তিক সম্পত্তি অধিকাৰৰ ব্যৱসায় সম্বন্ধিত বিষয়ৰ ওপৰত চুক্তি দৃঢ়ীকৰণ হোৱাত, ভাৰতবৰ্ষই উদ্ভিদ বৈচিত্র্যৰ সুৰক্ষা সম্পৰ্কে উক্ত চুক্তিৰ ভাগ IIত অনুচ্ছেদ ২৭ৰ দফা ৩ৰ উপ-দফা (খ)ক প্ৰভাৱী কৰাৰ বাবে, আন কথাৰ লগতে, উপবন্ধ কৰা উচিত।

ভাৰত গণৰাজ্যৰ দ্বিপঞ্চাশৎবৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে ইয়াক অধিনিয়মিত কৰা হওঁক ঃ–

## অধ্যায় – I

## প্ৰাৰম্ভিক

**সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।** ১। (১) এই অধিনিয়মখন, উদ্ভিদ বৈচিত্র্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১ নামেৰে অভিহিত হব।

(২) ই সমগ্ৰ ভাৰতবৰ্ষত বিস্তাৰিত হ'ব ।

(৩) ই, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, নিয়ত কৰা এনে তাৰিখত বলবৎ হব; আৰু এই অধিনিয়মৰ বিভিন্ন উপবন্ধৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণত এনে কোনো উপবন্ধত থকা কোনো প্ৰসঙ্গ নিৰ্দ্দেশক, সেই উপবন্ধৰ বলবৎ কৰণলৈ থকা এটা প্ৰসঙ্গ নিৰ্দ্দেশ ৰূপে অৰ্থ হ'ব।

**পৰিভাষা।** ২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে, –

## উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

(ক) ''প্ৰাধিকাৰ'' মানে ধাৰা ৩ৰ উপ–ধাৰা (১)ৰ অধীনত স্থাপিত উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষক অধিকাৰ সুৰক্ষাৰ প্ৰাধিকাৰ ;

(খ) বৈচিত্ৰ্যৰ সম্বন্ধত ''লাভৰ অংশ'' মানে এনে বৈচিত্ৰ্যৰ এজন প্ৰজনকলৈ বৰ্দ্ধিত লাভৰ এনে অনুপাত বা এনে বৈচিত্ৰ্যৰ এজন অভিকৰ্ত্তা বা যথাস্থিতি অনুজ্ঞাপত্ৰধাৰীৰ পৰা এজন প্ৰজনকলৈ বৃদ্ধি হোৱা লাভৰ এনে অনুপাত, যাৰ বাবে এজন দাবীদাৰে, ধাৰা ২৬ৰ অধীনত প্ৰাধিকাৰৰ দ্বাৰা অৱধাৰিত কৰা দৰে হকদাৰ হব ;

(গ) ''প্ৰজনক'' মানে এজন ব্যক্তি বা ব্যক্তিৰ শ্ৰেণী বা এজন কৃষক বা কৃষকৰ শ্ৰেণী বা কোনো সংস্থা যিয়ে কোনো বৈচিত্ৰ্যৰ প্ৰজনিত, প্ৰসাৰ বা বিকাশ কৰে ;

(ঘ) ''সভাপতি'' মানে ন্যায়াধিকৰণৰ সভাপতি ;

(ঙ) ''অধ্যক্ষ'' মানে ধাৰা ৩ৰ উপ–ধাৰা ৫ৰ খণ্ড (ক)ৰ অধীনত নিযুক্ত প্ৰাধিকাৰৰ অধ্যক্ষ ;

(চ) ''সন্মিলন দেশ'' মানে এখন দেশ যিয়ে উদ্ভিদ বৈচিত্ৰ্যৰ সুৰক্ষাৰ বাবে এখন আন্তৰ্জাতিক সন্মিলনলৈ সন্মত হয়, যিটোত ভাৰতবৰ্ষই সন্মতি দিছে, বা এখন দেশ যাৰ উদ্ভিদ বৈচিত্ৰ্যৰ সুৰক্ষাৰ ওপৰত বিধি আছে যিটোৰ ভিত্তিত ভাৰতবৰ্ষই, দুয়োখন দেশৰ নাগৰিকলৈ উদ্ভিদ প্ৰজনকৰ অধিকাৰৰ মঞ্জুৰীৰ বাবে এখন চুক্তিত প্ৰবিষ্ট হয় ;

(ছ) বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰীৰ সম্বন্ধত ''আখ্যা'' মানে যিকোনো ভাষাত লিখা অক্ষৰ বা অক্ষৰ আৰু সংখ্যাৰ এটা সংযোজনৰ মাধ্যমেৰে অভিব্যক্ত কোনো এনে বৈচিত্ৰ্যৰ আখ্যা বা ইয়াৰ প্ৰসাৰিত সামগ্ৰী বা অত্যাৱশ্যকীয়ভাবে প্ৰাপ্ত বৈচিত্ৰ্যক বা যথাস্থিতি ইয়াৰ প্ৰসাৰ সামগ্ৰী ;

(জ) ''অত্যাৱশ্যকীয় বৈশিষ্ট্য'' মানে উদ্ভিদ বৈচিত্ৰ্যৰ এনে বংশ পৰম্পৰাগত বৈশিষ্ট্য যিবোৰক আন পৰম্পৰাগত নিৰ্দ্ধাৰিত এক বা তাতোধিক আনুবংশৰ অভিব্যক্তিৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা হয়, যিবোৰে উদ্ভিদ বৈচিত্ৰ্যৰ মূল বৈশিষ্ট্য, কাৰ্য্যকাৰিতা বা মূল্যৰ অৱদান যোগায় ;

(ঝ) কোনো বৈচিত্ৰ্যৰ ক্ষেত্ৰত (আদি বৈচিত্ৰ্য) ''অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য''ক এনে মূল বৈচিত্ৰ্যৰ পৰা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত হোৱা বুলি কোৱা হব, যেতিয়া –

(i) এনে আদি বৈচিত্ৰ্যৰ পৰা, বা এটা বৈচিত্ৰ্যৰ পৰা ঘাইকৈ প্ৰাপ্ত হয়, যিটো স্বয়ং আদি বৈচিত্ৰ্যৰ পৰা ঘাইকৈ প্ৰাপ্ত হৈছে, যেতিয়া অত্যাৱশ্যকীয় বৈশিষ্ট্যৰ অভিব্যক্তিৰ য'ত এনে আদি বৈচিত্ৰ্যৰ সমজিনী গোষ্ঠী বা সমজিনী গোষ্ঠীৰ মিলনৰ ফলস্বৰূপে হয় ;

(ii) ই, এনে আদি বৈচিত্ৰ্যৰ পৰা স্পষ্টৰূপে পৃথকযোগ্য হয় ; আৰু

(iii) ই, অত্যাৱশ্যকীয় বৈশিষ্ট্যৰ অভিব্যক্তিত এনে আদি বৈচিত্ৰ্যলৈ, (প্ৰভেদৰ ব্যতিৰেকে যিটো প্ৰাপ্তি কাৰ্য্যৰ ফলস্বৰূপে হয়) সামঞ্জস্য ৰাখি যাৰ এনে আদি বৈচিত্ৰ্যৰ সমজিনী গোষ্ঠী বা সমজিনী গোষ্ঠীৰ মিলনৰ ফলস্বৰূপে হয় ;

(ঞ) ''বিদ্যমান বৈচিত্ৰ্য'' মানে ভাৰতবৰ্ষত সহজলভ্য এটা বৈচিত্ৰ্য, যিটো –

(i) বীজ অধিনিয়ম, ১৯৬৬ৰ ধাৰা ৫ৰ অধীনত অধিসূচিত কৰা হৈছে ; বা

(ii) কৃষকৰ বৈচিত্ৰ্য ; বা

(iii) বৈচিত্ৰ্য যাৰ বিষয়ে এটা সাধাৰণ জ্ঞান আছে ; বা

(iv) আন কোনো বৈচিত্ৰ্য যিটো ৰাজহুৱা ক্ষেত্ৰ ;

(ট) ''কৃষক'' মানে কোনো ব্যক্তি যিয়ে –

# উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

(i) নিজে ভূমি চহাই শস্যৰ কৰ্ষণ কৰে ; বা

(ii) কোনো আন ব্যক্তিৰ জৰিয়তে ভূমিৰ কৰ্ষণ কাৰ্য্য প্ৰত্যক্ষভাৱে নিৰীক্ষন কৰি শস্যৰ কৰ্ষণ কৰে ; বা

(iii) আছুতীয়াকৈ বা যুটীয়াভাৱে, অন্য কোনো ব্যক্তিৰ সৈতে কোনো বনৰীয়া প্ৰজাতি বা পৰম্পৰাগত বৈচিত্ৰ্যৰ অধিৰক্ষন আৰু পৰিৰক্ষন কৰে বা সেইবোৰৰ উপকাৰী গুণৰ নিৰ্ব্বাচন আৰু চিনাক্তকৰণৰ জৰিয়তে এনে বনৰীয়া প্ৰজাতি বা পৰম্পৰাগত বৈচিত্ৰ্যলৈ মূল্য যোগ কৰে ;

(ঠ) ''কৃষক বৈচিত্ৰ্য'' মানে এটা বৈচিত্ৰ্য যিটো –

(i) কৃষকৰ দ্বাৰা তেওঁলোকৰ খেতিপথাৰত পৰম্পৰাগতভাৱে কৰ্ষণ কৰা হৈছে আৰু লাভ কৰা হৈছে ; বা

(ii) বন্য সম্বন্ধ বা এটা বৈচিত্ৰ্যৰ ভূমি বিশিষ্টতা যিটোৰ বিষয়ে কৃষকৰ সাধাৰণ জ্ঞান থাকে ;

(ড) ''বীজ নিধি'' মানে ধাৰা ৪৫ৰ উপ–ধাৰা (১)ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় আনুবংশিক নিধি ;

(ঢ) ''ন্যায়িক সদস্য'' মানে ধাৰা ৫৫ৰ উপ–ধাৰা (১)ৰ অধীনত এনেদৰে নিযুক্ত ন্যায়াধিকৰণৰ এজন সদস্য আৰু ই অধ্যক্ষক অন্তৰ্ভুক্ত কৰে ;

(ণ) ''সদস্য'' মানে ন্যায়াধিকৰণৰ এজন ন্যায়িক সদস্য বা এজন কাৰিকৰী সদস্য আৰু ই অধ্যক্ষক অন্তৰ্ভুক্ত কৰে ;

(ত) ''সদস্য'' মানে ধাৰা ৩ৰ উপ–ধাৰা (৫)ৰ খণ্ড (গ)ৰ অধীনত নিযুক্ত প্ৰাধিকাৰীৰ এজন সদস্য ;

(থ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(দ) ''প্ৰসাৰ সামগ্ৰী'' মানে অভিপ্ৰেত বীজ বা বীজ অন্তৰ্ভুক্ত কৰি, যিটো উদ্ভিদৰ পুনৰ উৎপাদনৰ সমৰ্থ হয় বা ইয়াৰ বাবে উপযুক্ত হয়, কোনো উদ্ভিদ বা তাৰ উপকৰণ বা তাৰ ভাগ ;

(ধ) ''পঞ্জী'' মানে ধাৰা ১৩ত নিৰ্দ্দেশিত উদ্ভিদ বৈচিত্ৰ্যৰ ৰাষ্ট্ৰীয় পঞ্জী ;

(ন) ''পঞ্জীয়ক'' মানে ধাৰা ১২ৰ উপধাৰা (৪)ৰ অধীনত নিযুক্ত উদ্ভিদ বৈচিত্ৰ্যৰ এজন পঞ্জীয়ক আৰু ই মহা–পঞ্জীয়কক অন্তৰ্ভুক্ত কৰে ;

(প) ''মহা–পঞ্জীয়ক'' মানে ধাৰা ১২ৰ উপ–ধাৰা (৩)ৰ অধীনত নিযুক্ত উদ্ভিদ বৈচিত্ৰ্যৰ মহা–পঞ্জীয়ক ;

(ফ) ''পঞ্জীকাৰ্য্যালয়'' মানে ধাৰা ১২ৰ উপ–ধাৰা (১)ত নিৰ্দ্দেশিত উদ্ভিদ বৈচিত্ৰ্যৰ পঞ্জীকাৰ্য্যালয় ;

(ব) ''বিনিয়মাৱলী'' মানে এই অধিনিয়মৰ অধীনত প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত বিনিয়মাৱলী ;

(ভ) ''বীজ'' মানে পুনৰ উৎপাদনযোগ্য জীৱিত ভ্ৰূণ বা বংশবৃদ্ধি কাৰকৰ এটা প্ৰকাৰ ;

(ম) ''ন্যায়াধিকৰণ'' মানে ধাৰা ৫৪ৰ অধীনত স্থাপিত উদ্ভিদ বৈচিত্ৰ্য সুৰক্ষা আপীল ন্যায়াধিকৰণ ;

(য) ''কাৰিকৰী সদস্য'' মানে ন্যায়াধিকৰণৰ এজন সদস্য যিজন ন্যায়িক সদস্য, নহয় ;

(য ক) ''বৈচিত্ৰ্য'' মানে নিম্নতম জ্ঞাত স্তৰৰ এটা একক উদ্ভিদৰ বৰ্গৰ ভিতৰত অনুজীৱৰ ব্যতিৰেকে এটা উদ্ভিদ শ্ৰেণী, যিবোৰক –

(i) তেনে উদ্ভিদ শ্ৰেণীবৰ্গৰ পৰা দিয়া এটা প্ৰৰূপ প্ৰজাতিৰ পৰা উদ্ভৱ হোৱা বৈশিষ্ট্যৰ অভিব্যক্তিৰ দ্বাৰা পৰিভাষিত কৰা হয় ;

## উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

(ii) উক্ত বৈশিষ্ট্যসমূহৰ অতি কমেও এটা অভিব্যক্তিৰ দ্বাৰা কোনো আন শ্ৰেণী বৰ্গৰ পৰা পৃথক কৰিব পাৰে ; আৰু

(iii) প্ৰসাৰ হোৱা বুলি উপযুক্ততাৰ সম্পৰ্কে এটা গোট ৰূপে বিবেচিত কৰিব পাৰে যিবোৰ, এনে প্ৰসাৰৰ পিছত অপৰিৱৰ্ত্তিত হৈ থাকে ;

আৰু ই, এনে বৈচিত্ৰ্যৰ প্ৰসাৰ সামগ্ৰী, বিদ্যমান বৈচিত্ৰ্য, ট্ৰেন্সজেনিক বৈচিত্ৰ্য, কৃষক বৈচিত্ৰ্য আৰু অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যক অন্তৰ্ভুক্ত কৰে।

### অধ্যায় –II

### উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষকৰ অধিকাৰৰ প্ৰাধিকাৰ আৰু পঞ্জী কাৰ্য্যালয় সুৰক্ষা

### উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষকৰ অধিকাৰ প্ৰাধিকাৰৰ সুৰক্ষা

**প্ৰাধিকাৰৰ স্থাপন।** ৩। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষকৰ অধিকাৰৰ সুৰক্ষা প্ৰাধিকাৰ ৰূপে জনাজাত এটা প্ৰাধিকাৰ স্থাপন কৰিব।

(২) অস্থায়ী আৰু স্থায়ী উভয় সম্পত্তিৰ ক্ষমতাসহ অৰ্জন, ধাৰণ আৰু নিষ্পত্তি কৰিবলৈ আৰু সংবিদা কৰিবলৈ শ্বাশ্বত উত্তৰাধিকাৰ আৰু এটা সাধাৰণ মুদ্ৰা থকা পূৰ্ব্বোক্ত নামেৰে এটা প্ৰাধিকাৰ, নিগমিত নিকায় হ'ব, আৰু উক্ত নামেৰে বাদ কৰিব আৰু বাদ যুক্ত হ'ব।

(৩) প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যালয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা দৰে এনে স্থানত হব আৰু প্ৰাধিকাৰে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদন সহ, ভাৰতবৰ্ষৰ আন স্থানত শাখা কাৰ্য্যালয় স্থাপন কৰিব পাৰে।

(৪) প্ৰাধিকাৰ, এজন অধ্যক্ষ আৰু পোন্ধৰজন সদস্যৰে গঠিত হব।

(৫) (ক) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত হবলগীয়া অধ্যক্ষজনৰ বিশেষকৈ উদ্ভিদ বৈচিত্ৰ্য গৱেষণা বা কৃষি বিকাশৰ ক্ষেত্ৰত সেই চৰকাৰৰ সন্তুষ্টিত দীৰ্ঘ ব্যৱহাৰিক অভিজ্ঞতা সহ বিশিষ্ট পাৰগতা থকা আৰু সুপ্ৰতিষ্ঠিত এজন ব্যক্তি হ'ব ।

(খ) কেন্দ্ৰীয় চৰকাৰৰ নিযুক্ত হবলগীয়া প্ৰাধিকাৰৰ সদস্যসকল, নিম্নানুসাৰে হ'ব, অৰ্থ্যাৎ ঃ--

(i) কৃষি আয়ুক্ত, ভাৰত চৰকাৰ, কৃষি আৰু সহযোগ বিভাগ, নতুন দিল্লী, পদেন সদস্য হ'ব ;

(ii) শস্য বিজ্ঞানৰ ভাৰপ্ৰাপ্ত উপমহা–নিৰ্দ্দেশক, ভাৰতীয় কৃষি গৱেষনা পৰিষদৰ, নতুন দিল্লী, পদেন সদস্য হ'ব ;

(iii) বীজৰ ভাৰপ্ৰাপ্ত যুটীয়া সচিব, ভাৰত চৰকাৰ, কৃষি আৰু সহযোগ বিভাগ, নতুন দিল্লী, পদেন সদস্য হ'ব ;

(iv) উদ্যান বিদ্যা আয়ুক্ত, ভাৰত চৰকাৰ, কৃষি আৰু সহযোগ বিভাগ, নতুন দিল্লী, পদেন সদস্য হ'ব ;

(v) উদ্ভিদ আনুবংশিক সম্পদাৰ ৰাষ্ট্ৰীয় কাৰ্য্যালয়ৰ নিৰ্দ্দেশক, নতুন দিল্লী, পদেন সদস্য হ'ব ;

(vi) ভাৰত চৰকাৰ, জৈৱ কাৰিকৰী বিভাগৰ প্ৰতিনিধিত্ব কৰিবলৈ, ভাৰত চৰকাৰৰ যুটীয়া সচিবৰ পদৰ নিম্নতৰ নোহোৱা এজন পদেন সদস্য হ'ব ;

(vii) ভাৰত চৰকাৰৰ পৰিবেশ আৰু বন মন্ত্ৰালয়ক প্ৰতিনিধিত্ব কৰিবলৈ, ভাৰত চৰকাৰৰ যুটীয়া সচিব পদৰ নিম্নতৰ নোহোৱা এজন পদেন সদস্য হ'ব ;

(viii) ভাৰত চৰকাৰৰ বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্যকলাপৰ প্ৰতিনিধিত্ব কৰিবলৈ ভাৰত চৰকাৰৰ যুটীয়া সচিব পদৰ নিম্নতৰ নোহোৱা এজন পদেন সদস্য হ'ব ;

(ix) ৰাষ্ট্ৰীয় বা ৰাজ্যিক স্তৰৰ কৃষক সংগঠনৰ এজন প্ৰতিনিধিক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(x) জনজাতি সংগঠনৰ পৰা এজন প্ৰতিনিধিক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(xi) বীজ উদ্যোগৰ এজন প্ৰতিনিধিক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(xii) কৃষি বিশ্ববিদ্যালয়ৰ এজন প্ৰতিনিধিক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(xiii) কৃষি কাৰ্য্যকলাপৰ সৈতে জড়িত ৰাষ্ট্ৰীয় বা ৰাজ্যিক স্তৰৰ মহিলা সংগঠনৰ এজন প্ৰতিনিধিক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ; আৰু

(xiv) ৰাজ্য চৰকাৰৰ দুজন প্ৰতিনিধিক একাদিক্ৰম ভিত্তিত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(গ) মহা পঞ্জীয়কজন, প্ৰাধিকাৰৰ পদেন সদস্য সচিব হ'ব।

(৬) অধ্যক্ষৰ পদাৱধি আৰু পদ পূৰণৰ ৰীতি, বিহিত কৰা দৰে হ'ব।

(৭) অধ্যক্ষই পাঁচজন সদস্যৰে গঠিত এখন স্থায়ী সমিতি নিয়োগ কৰিব, যাৰ ভিতৰত এজন, এনে সদস্য হ'ব যিজন, কৃষকৰ অধিকাৰ অন্তৰ্ভুক্ত কৰি সকলো বিষয়ৰ ওপৰত প্ৰাধিকাৰক উপদেশ দিবলৈ এখন কৃষক সংগঠনৰ প্ৰতিনিধি হয়।

(৮) অধ্যক্ষজন বিহিত কৰা ধৰণে এনে বেতন আৰু ভাত্তাৰ বাবে হকদাৰ হ'ব আৰু ছুটী, পেঞ্চন, ভৱিষ্য নিধি আৰু আন বিষয়ৰ ক্ষেত্ৰত সেৱাৰ এনে চৰ্ত্তাৱলীৰ সাপেক্ষে হ'ব। প্ৰাধিকাৰৰ বৈঠকত উপস্থিত থকাৰ বাবে বেচৰকাৰী সদস্যৰ ভাত্তা বিহিত কৰা দৰে এনে হব।

(৯) অধ্যক্ষই, কেন্দ্ৰীয় চৰকাৰক লিখিত জাননী দি তেওঁৰ পদৰ পৰা পদত্যাগ কৰিব পাৰে, আৰু এনে গ্ৰহণ কৰা পদত্যাগ পত্ৰ স্বীকাৰ কৰাত তেওঁ, তেওঁৰ পদ ত্যাগ কৰা বুলি গণ্য হ'ব।

(১০) কোনো কাৰণৰ বাবে অধ্যক্ষই কৰা পদত্যাগত বা অধ্যক্ষৰ পদৰিক্তিত, কেন্দ্ৰীয় চৰকাৰে, অধ্যক্ষৰূপে স্থানিত কৰিবলৈ সদস্যসকলৰ এজনৰ নিযুক্তি দিব পাৰে যেতিয়ালৈকে উপ–ধাৰা (৫)ৰ খণ্ড (ক)ৰ অনুসৰণত এজন নিয়মিত অধ্যক্ষ নিয়োগ কৰা নহয়।

**প্ৰাধিকাৰৰ বৈঠক।** ৪। (১) প্ৰাধিকাৰে বিহিত কৰা দৰে এনে সময়ত আৰু স্থানত মিলিত হব আৰু ইয়াৰ বৈঠকৰ থূল আৰু ধাৰা ৩ৰ উপ–ধাৰা (৭)ৰ অধীনত নিযুক্ত হোৱা ইয়াৰ স্থায়ী সমিতিৰ ব্যৱসায়ৰ লেনদেন অন্তৰ্ভুক্ত কৰি ইয়াৰ বৈঠকত ব্যৱসায়ৰ লেনদেনৰ সম্পৰ্কত প্ৰক্ৰিয়াৰ এনে নিয়মাৱলী নিৰীক্ষন কৰিব।

(২) প্ৰাধিকাৰৰ অধ্যক্ষই, প্ৰাধিকাৰৰ বৈঠকত সভাপতিত্ব কৰিব।

(৩) যদিহে কোনো কাৰণত অধ্যক্ষই, প্ৰাধিকাৰৰ কোনো বৈঠকত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, উপস্থিত সদস্যৰ দ্বাৰা বাচনি কৰি দিয়া প্ৰাধিকাৰৰ কোনো সদস্যই, বৈঠকত সভাপতিত্ব কৰিব।

(৪) প্ৰাধিকাৰৰ কোনো বৈঠকত থকা সকলো প্ৰশ্ন, উপস্থিত প্ৰাধিকাৰৰ সদস্যৰ ভোটৰ এটা সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা, বিনিশ্চিত কৰা হ'ব আৰু ভোটদান আৰু ভোটৰ সমানতাৰ ক্ষেত্ৰত, প্ৰাধিকাৰৰ অধ্যক্ষই বা তেওঁৰ অনুপস্থিতিত, সভাপতিত্ব কৰা ব্যক্তিজনৰ এটা দ্বিতীয় ভোট থাকিব বা এটা নিৰ্ণায়ক ভোট কাৰ্য্যকৰী কৰিব।

(৫) বৈঠকত বিনিশ্চিত হবলগীয়া কোনো বিষয়ত, যি কোনো প্ৰকাৰে, প্ৰত্যক্ষভাৱে, পৰোক্ষভাৱে বা ব্যক্তিগতভাৱে সংশ্লিষ্ট বা স্বাৰ্থজড়িত হোৱা প্ৰত্যেক সদস্যই, তেওঁৰ বিষয় বা স্বাৰ্থৰ চৰিত্ৰ প্ৰকট কৰিব আৰু এনে প্ৰকটকৰণৰ পিছত, সংশ্লিষ্ট হোৱা বা স্বাৰ্থজড়িত সদস্যই, সেই বৈঠকত উপস্থিত নাথাকিব।

(৬) প্ৰাধিকাৰৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী কেৱল নিম্নলিখিত কাৰণসমূহৰ বাবে অবৈধ নহব –

(ক) প্ৰাধিকাৰৰ কোনো পদৰিক্তি বা ইয়াৰ গঠনত থকা কোনো ত্ৰুটী ; বা

(খ) প্ৰাধিকাৰৰ অধ্যক্ষ বা এজন সদস্য ৰূপে কাৰ্য্য কৰা এজন ব্যক্তিৰ নিযুক্তিত থকা কোনো ত্ৰুটী ; বা

(গ) বৈঠকত প্ৰভাৱিত নকৰা প্ৰাধিকাৰৰ প্ৰক্ৰিয়াত থকা কোনো অনিয়মিতা।

**প্ৰাধিকাৰৰ সমিতি।** ৫। (১) প্ৰাধিকাৰে, এই অধিনিয়মৰ অধীনত, ইয়াৰ কৰ্ত্তব্যৰ সুদক্ষ নিৰ্বহন আৰু ইয়াৰ কৃত্যৰ সম্পাদনৰ বাবে আৱশ্যক হোৱা দৰে এনে সমিতি নিয়োগ কৰিব পাৰে।

(২) উপ–ধাৰা (১)ৰ অধীনত সমিতিৰ সদস্যৰূপে নিযুক্ত ব্যক্তিয়ে, কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰিত কৰা দৰে সমিতিৰ বৈঠকত উপস্থিত থকাৰ বাবে এনে ভাত্তা বা মাচুল গ্ৰহণ কৰিবলৈ হকদাৰ হ'ব।

**প্ৰাধিকাৰৰ পদাধিকাৰী আৰু আন কৰ্মচাৰী।** ৬। বিহিত কৰা এনে নিয়ন্ত্ৰন আৰু নিৰ্বন্ধনৰ সাপেক্ষে, প্ৰাধিকাৰে, ইয়াৰ কৃত্যৰ সুদক্ষ সম্পাদনৰ বাবে আৱশ্যক হোৱা এনে পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীক নিযুক্তি প্ৰক্ৰিয়া, বেতন আৰু ভাত্তা আৰু সেৱাৰ আন চৰ্ত্তাৱলী, বিহিত কৰা দৰে হ'ব।

**অধ্যক্ষজন, মুখ্য কাৰ্য্যনিৰ্বাহক হ'ব।** ৭। অধ্যক্ষজন, প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক হব আৰু বিহিত কৰা দৰে এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্ত্তব্য সম্পাদন কৰিব।

**প্ৰাধিকাৰৰ সাধাৰণ কৃত্য।** ৮। (১) প্ৰাধিকাৰৰ, উচিত বুলি ভবা দৰে এনে ব্যৱস্থাৰ দ্বাৰা, উদ্ভিদৰ নতুন বৈচিত্ৰ্যৰ বিকাশৰ বাবে উদ্গনি আৰু কৃষক আৰু প্ৰজনকৰ অধিকাৰক সুৰক্ষা দিবলৈ কৰ্ত্তব্য হ'ব।

(২) বিশেষতঃ আৰু পূৰ্বগামী উপবন্ধৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, উপ–ধাৰা (১)ত নিৰ্দ্দেশিত ব্যৱস্থাসমূহে নিম্নলিখিতসমূহৰ বাবে উপবন্ধ কৰিব পাৰে –

(ক) এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ সাপেক্ষে বিদ্যমান বৈচিত্ৰ্যৰ পঞ্জীয়ন আৰু বিহিত কৰা ৰীতি ;

(খ) এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত হোৱা বৈচিত্ৰ্যৰ চৰিত্ৰাঙ্কন আৰু দস্তাৱেজীকৰণৰ বিকাশকৰণ ;

(গ) কৃষক বৈচিত্ৰ্যৰ দস্তাৱেজীকৰণ, সূচীভুক্ত আৰু তালিকাভুক্ত কৰা ;

(ঘ) উদ্ভিদৰ সকলো বৈচিত্ৰ্যৰ বাবে বাধ্যতামূলক তালিকাভুক্ত সা–সুবিধা ;

(ঙ) এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত বৈচিত্ৰ্যৰ বীজ, কৃষকলৈ সহজলভ্য কৰাটো সুনিশ্চিত কৰি আৰু এনে বৈচিত্ৰ্যৰ বাধ্যতামূলক অনুজ্ঞাপ্তিৰ বাবে উপবন্ধ কৰি, যদিহে, এই অধিনিয়মৰ অধীনত এনে বৈচিত্ৰ্য উৎপন্ন কৰিবলৈ হকদাৰ হোৱা এনে বৈচিত্ৰ্যৰ প্ৰজনক বা কোনো আন ব্যক্তিয়ে, বিহিত কৰা দৰে এনে ৰীতিত বীজৰ উৎপাদন আৰু বিক্ৰীৰ বাবে, ব্যৱস্থা নকৰে ;

(চ) ভাৰতবৰ্ষ বা কোনো আন দেশত সঙ্কলন আৰু প্ৰকাশনৰ বাবে, কোনো উদ্ভিদ বৈচিত্ৰ্যৰ পৰিৱৰ্ত্তন বা বিকাশত যি কোনো সময়ত কোনো ব্যক্তিৰ বৰঙণিক অন্তৰ্ভুক্ত কৰি, উদ্ভিদ বৈচিত্ৰ্যক অৱধানত ৰাখি পৰিসংখ্যা সংগ্ৰহ কৰে ;

(ছ) পঞ্জীৰ পৰিচালনাক সুনিশ্চিত কৰে।

## উদ্ভিদ বৈচিত্র্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

**প্ৰাধিকাৰৰ আদেশ, ইত্যাদিৰ অধিপ্ৰমাণীকৰণ।** ৯। প্ৰাধিকাৰৰ সকলো আদেশ আৰু বিনিশ্চয়, অধ্যক্ষ বা এই মৰ্ম্মে প্ৰাধিকাৰীৰ দ্বাৰা প্ৰাধিকৃত কোনো আন সদস্যৰ হস্তাক্ষৰৰ দ্বাৰা প্ৰমাণীকৰণ কৰা হ'ব।

**আৰোপন।** ১০। প্ৰাধিকাৰে, লিখিতভাৱে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা আদেশত বিনিৰ্দিষ্ট কৰা দৰে, এনে চৰ্ত্ত বা পৰিসীমাৰ সাপেক্ষে, যদি কিবা থাকে, অধ্যক্ষ, কোনো সদস্য বা প্ৰাধিকাৰৰ পদাধিকাৰীক, ই আৱশ্যক বুলি গণ্য কৰা দৰে এই অধিনিয়মৰ অধীনত ইয়াৰ এনে ক্ষমতা আৰু কৃত্য, (ধাৰা ৯৫ৰ অধীনত বিনিয়ম প্ৰণয়ন কৰাৰ ক্ষমতাৰ ব্যতিৰেকে,) আৰোপ কৰিব পাৰে।

**প্ৰাধিকাৰৰ ক্ষমতা।** ১১। প্ৰাধিকাৰ বা পঞ্জীয়কৰ সমক্ষত এই অধিনিয়মৰ অধীনত সকলো কাৰ্য্যবাহীত,

(ক) প্ৰাধিকাৰ বা যথাস্থিতি পঞ্জীয়কৰ, সাক্ষ্য শপথ গ্ৰহণ, সাক্ষীৰ উপস্থিতি বলবৎকৰণ, দস্তাৱেজৰ আবিষ্কাৰ আৰু পেচকৰণ, বাধ্যকৰণ আৰু সাক্ষীৰ পৰীক্ষাৰ বাবে কমিচন জাৰি কৰাৰ প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয়ৰ সকলো ক্ষমতা থাকিব ;

(খ) প্ৰাধিকাৰ বা পঞ্জীয়কে, এই অধিনিয়মৰ অধীনত এই মৰ্ম্মে প্ৰণীত কোনো নিয়মৰ সাপেক্ষে, ই যুক্তিসঙ্গঁত বুলি বিবেচনা কৰা এনে ব্যয়ৰ বিষয়ে এনে আদেশ প্ৰণয়ন কৰিব পাৰে আৰু এনে কোনো আদেশ এখন চিভিল ন্যায়ালয়ৰ এটা ডিক্ৰী ৰূপে নিষ্পাদনযোগ্য হব।

### পঞ্জী কাৰ্য্যালয়

**পঞ্জীয়ক আৰু তাৰ কাৰ্য্যালয়।** ১২। (১) কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, এটা পঞ্জী কাৰ্য্যালয় স্থাপন কৰিব যিটো উদ্ভিদ বৈচিত্ৰ্য পঞ্জী কাৰ্য্যালয় নামেৰে জনাজাত হব।

(২) উদ্ভিদ বৈচিত্ৰ্যৰ পঞ্জী কাৰ্য্যালয়ৰ মুখ্য কাৰ্য্যালয়টো, প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যালয়ত অৱস্থিত হ'ব, আৰু বৈচিত্ৰ্যৰ পঞ্জীয়ন সুচল কৰাৰ প্ৰয়োজনাৰ্থে প্ৰাধিকাৰে যোগ্য বিবেচনা কৰা দৰে, এনে স্থানত, পঞ্জীয়কৰ শাখা কাৰ্য্যালয় স্থাপন কৰিব পাৰে।

(৩) প্ৰাধিকাৰে, উদ্ভিদ বৈচিত্ৰ্যৰ এজন মহা পঞ্জীয়কক নিযুক্তি দিব যিয়ে এনে বেতন আৰু ভাত্তাসমূহলৈ হকদাৰ হব আৰু বিহিত কৰা দৰে এনে ছুটী, পেঞ্চন, ভৱিষ্যনিধি আৰু এনে আন বিষয়সমূহৰ সম্বন্ধত সেৱাৰ এনে চৰ্ত্তাৱলীৰ সাপেক্ষে হব।

(৪) প্ৰাধিকাৰে, ই প্ৰয়োজনীয় বুলি ভৱা দৰে, মহাপঞ্জীয়কৰ অধীক্ষন আৰু নিৰ্দ্দেশনাধীনত উদ্ভিদ বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে এনে সংখ্যক পঞ্জীয়কক নিযুক্তি দিব পাৰে আৰু তেওঁলোকৰ কৰ্ত্তব্য আৰু অধিকাৰৰ সম্বন্ধে বিনিয়ম প্ৰণয়ন কৰিব পাৰে।

(৫) পঞ্জীয়কৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তৱলী, বিনিয়মৰ দ্বাৰা উপবন্ধিত দৰে হ'ব।

(৬) প্ৰাধিকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনা দ্বাৰা, ৰাজ্যক্ষেত্ৰীয় পৰিসীমা পৰিভাষিত কৰিব পাৰে যাৰ অন্তৰ্গত পঞ্জীয়কৰ শাখা কাৰ্য্যালয়ে ইয়াৰ কৃত্য কাৰ্য্যান্বিত কৰিব পাৰে।

(৭) উদ্ভিদ বৈচিত্ৰ্যৰ পঞ্জী কাৰ্য্যালয়ৰ এটা মোহৰ থাকিব।

**উদ্ভিদ বৈচিত্ৰ্যৰ ৰাষ্ট্ৰীয় পঞ্জী।** ১৩। (১) এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, উদ্ভিদ বৈচিত্ৰ্যৰ ৰাষ্ট্ৰীয় পঞ্জী নামেৰে এখন পঞ্জী, পঞ্জী কাৰ্য্যালয়ৰ মুখ্য কাৰ্য্যালয়ত ৰখা হ'ব, য'ত তেওঁলোকৰ নিজা প্ৰজনকৰ নাম আৰু ঠিকনাসহ সকলো পঞ্জীভুক্ত উদ্ভিদ বৈচিত্ৰ্যৰ নাম, পঞ্জীভুক্ত বৈচিত্ৰ্যৰ ক্ষেত্ৰত এনে প্ৰজনকৰ অধিকাৰ প্ৰত্যেক পঞ্জীভুক্ত বৈচিত্ৰ্যৰ আখ্যাৰ সবিশেষ আৰু তাৰ মূল বৈশিষ্ট্যৰ বিনিৰ্দ্দিষ্টৰ সৈতে একেলগে ইয়াৰ বীজ বা আন প্ৰসাৰ সামগ্ৰী আৰু বিহিত কৰা এনে আন বিষয়ৰ প্ৰবিষ্টি কৰা হ'ব।

(২) কেন্দ্ৰীয় চৰকাৰৰ অধীক্ষন আৰু নিৰ্দ্দেশনাৰ সাপেক্ষে, পঞ্জীয়ন, প্ৰাধিকাৰৰ নিয়ন্ত্ৰন আৰু পৰিচালনাৰ অধীনত ৰখা হ'ব।

(৩) পঞ্জী কাৰ্য্যালয়ৰ প্ৰত্যেক শাখা কাৰ্য্যালয়ত, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিৰ্দ্দেশ দিয়াৰ দৰে পঞ্জীৰ এটা প্ৰতিলিপি আৰু এনে আন দস্তাৱেজ ৰাখিব।

## অধ্যায় – III

### উদ্ভিদ বৈচিত্ৰ্য আৰু অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ পঞ্জীয়ন

### পঞ্জীয়নৰ বাবে আবেদন

পঞ্জীয়নৰ বাবে আবেদন।

১৪। ধাৰা ১৬ত বিনিৰ্দিষ্ট কৰা কোনো ব্যক্তিয়ে, নিম্নলিখিত কোনো বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে পঞ্জীয়কক এখন আবেদন দিব পাৰে ––

(ক) ধাৰা ২৯ৰ উপ–ধাৰা (২)ৰ অধীনত বিনিৰ্দিষ্ট কৰা এনে জীৱ আৰু প্ৰজাতি ;

(খ) বিদ্যমান এটা বৈচিত্ৰ্য ;

(গ) কৃষকৰ বৈচিত্ৰ্য ;

পঞ্জীয়নযোগ্য বৈচিত্ৰ্য।

১৫। (১) এটা নতুন বৈচিত্ৰ্য এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কৰা হব যদিহে, অভিনৱত্ব, স্পষ্টতা, সমতা আৰু স্থিৰতাৰ এনে নিৰ্ণায়কক অনুৰূপ কৰে।

(২) উপ–ধাৰা (১)ত কোনো কথা থকা স্বত্বেও, এটা বিদ্যমান বৈচিত্ৰ্য, এটা বিনিৰ্দিষ্ট সময়ৰ ভিতৰত এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কৰা হ'ব, যদিহে ই, স্পষ্টতা, সমতা আৰু স্থিৰতা এনে নিৰ্ণায়কৰ অনুৰূপ হয় যিদৰে বিনিয়মৰ অধীনত বিনিৰ্দিষ্ট কৰা হৈছে।

(৩) উপ–ধাৰা (১) আৰু যথাস্থিতি (২)ৰ প্ৰয়োজনাৰ্থে এটা নতুন বৈচিত্ৰ্যক –

(ক) অভিনৱত্ব বুলি গণ্য কৰা হব যদিহে, সুৰক্ষাৰ পঞ্জীয়নৰ বাবে আবেদনৰ দাখিলকৰণৰ তাৰিখত, এনে বৈচিত্ৰ্যৰ প্ৰসাৰ বা চহোৰা সামগ্ৰী,

(i) এবছৰৰ আগতে, ভাৰতত ; বা

(ii) গছ বা লতাৰ ক্ষেত্ৰত ছবছৰতকৈ কম সময়ত, বা আন কোনো ক্ষেত্ৰত, চাৰিবছৰতকৈ কম সময়ত, ভাৰতৰ বাহিৰত ;

এনে আবেদন দাখিলকৰণৰ তাৰিখৰ পূৰ্বে, বিক্ৰী কৰা নহয় বা অন্যথা এনে বৈচিত্ৰ্যৰ শোষণৰ প্ৰয়োজনাৰ্থে ইয়াৰ প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰীৰ সন্মতিৰ দ্বাৰা বা সন্মতি সহ, নিষ্পত্তি কৰা নহয় ঃ

পৰন্তু এটা নতুন বৈচিত্ৰ্যৰ পৰীক্ষা যিটো বিক্ৰী বা অন্যথা নিষ্পত্তি কৰা হোৱা নাই, সুৰক্ষাৰ অধিকাৰলৈ প্ৰভাৱান্বিত নকৰিব ঃ

উপৰন্তু পঞ্জীয়নৰ বাবে আবেদন দাখিলকৰণৰ তাৰিখত বিষয়টোৰে, এনে বৈচিত্ৰ্যৰ প্ৰসাৰ আৰু চহোৰা সামগ্ৰী ওপৰোক্ত ৰীতিৰ মাধ্যমৰ ব্যতিৰেকে সাধাৰণ জ্ঞানৰ এটা বিষয় হোৱা এনে বৈচিত্ৰ্যৰ বাবে অভিনৱত্বৰ নিৰ্ণায়কক প্ৰভাৱান্বিত নকৰিব ;

(খ) স্পষ্ট বুলি গণ্য কৰা হব, যদিহে ই, কোনো আন বৈচিত্ৰ্যৰ অতি কমেও এটা আৱশ্যকীয় বৈশিষ্ট্যৰ দ্বাৰা স্পষ্টভাৱে পৃথক কৰা হয় যাৰ বিদ্যমানতা, আবেদনৰ দাখিলকৰণৰ সময়ত কোনো দেশত সাধাৰণ জ্ঞানৰ এটা বিষয় হয়।

**স্পষ্টীকৰণ** – সন্দেহ দূৰীকৰণৰ বাবে, ইয়াৰ দ্বাৰা ঘোষিত কৰা হ'ল যে, এটা নতুন বৈচিত্ৰ্যলৈ এজন প্ৰজনকৰ অধিকাৰ মঞ্জুৰ কৰাৰ বাবে বা কোনো সন্মিলন দেশত, কোনো চৰকাৰী পঞ্জীত, বৈচিত্ৰ্যৰ এনে বৈচিত্ৰ্যৰ প্ৰৱিষ্টিৰ বাবে, এখন আবেদনৰ দাখিলকৰণ, আবেদনৰ তাৰিখত বৈচিত্ৰ্যক সাধাৰণ জ্ঞানৰ এটা বিষয় বুলি গণ্য কৰা হব যদিহে আবেদন, প্ৰজনকৰ অধিকাৰৰ মঞ্জুৰীলৈ বা যথাস্থিতি এনে চৰকাৰী পঞ্জীত এনে বৈচিত্ৰ্যৰ প্ৰৱিষ্টিলৈ, দিয়া হয় ;

(গ) সমৰূপ বুলি গণ্য কৰা হব, যদিহে বৈষম্যতাৰ সাপেক্ষে, যিটোক ইয়াৰ প্ৰসাৰণৰ বিশেষ বৈশিষ্ট্যৰ পৰা আশা কৰিব পৰা যায়, ই ইয়াৰ আৱশ্যকীয় বৈশিষ্ট্যত পৰ্য্যাপ্তৰূপে সমৰূপ হয় ;

(ঘ) স্থিৰ বুলি গণ্য কৰা হব, যদিহে ইয়াৰ অত্যাৱশ্যকীয় বৈশিষ্ট্য, পুনৰাবৃত্ত প্ৰসাৰণৰ পিছত বা প্ৰসাৰণৰ বিশেষ ক্ৰমৰ ক্ষেত্ৰত, এনে প্ৰত্যক ক্ৰমৰ অন্তত অপৰিৱৰ্তিত হৈ থাকে।

(৪) এটা নতুন বৈচিত্ৰ্য এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কৰা নহব যদিহে নিম্নলিখিত এনে বৈচিত্ৰ্যসমূহলৈ দিয়া আখ্যা --

(i) এনে বৈচিত্ৰ্য চিনাক্তকৰণত সক্ষম নহয় ; বা

(ii) একমাত্ৰ সংখ্যাৰে গঠিত হয় ; বা

(iii) ভ্ৰান্ত কৰিবলৈ বা এনে বৈচিত্ৰ্যৰ বৈশিষ্ট্য, মূল্য চিনাক্তৰ বিষয়ে বা এনে বৈচিত্ৰ্যৰ প্ৰজনকৰ চিনাক্তকৰণক বিভ্ৰান্ত কৰিবলৈ দায়ী হয় ; বা

(iv) প্ৰত্যেক আখ্যাৰ পৃথক নহয় যিয়ে, এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত একে উদ্ভিদ প্ৰজাতিৰ এটা বৈচিত্ৰ্যৰ বা এটা ওচৰ সম্বন্ধিত প্ৰজাতিক পদাভিহিত কৰে ; বা

(v) এনে বৈচিত্ৰ্যৰ চিনাক্তকৰণৰ বিষয়ে জনসাধাৰণক প্ৰতাৰণা কৰিবলৈ বা জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ সম্ভাৱনা থাকে ; বা

(vi) ভাৰতীয় নাগৰিকৰ যথাক্ৰমে কোনো শ্ৰেণী বা ভাগৰ ধৰ্মীয় অনুভূতিক আঘাট কৰিবলৈ সম্ভাৱনা থাকে ; বা

১৯৪৮ৰ ১২ (vii) প্ৰতীক আৰু নাম (অনুচিত ব্যৱহাৰৰ নিবাৰণ) অধিনিয়ম, ১৯৫০ৰ ধাৰা ৩ত উল্লিখিত যিকোনোটোৰ প্ৰয়োজনাৰ্থে এটা নাম বা প্ৰতীক ৰূপে ব্যৱহাৰৰ বাবে নিষিদ্ধ কৰা হয় ; বা

(viii) ভৌগোলিক নামেৰে সম্পূৰ্ণ বা আংশিকভাৱে ভুক্ত কৰা হয় ঃ

পৰন্তু পঞ্জীয়কে এটা বৈচিত্ৰ্য পঞ্জীভুক্ত কৰিব পাৰে, যিটোৰ আখ্যা এটা ভৌগোলিক নামেৰে সম্পূৰ্ণ বা আংশিকভাৱে ভুক্ত কৰা হয়, যদিহে তেওঁ এনে বৈচিত্ৰ্যৰ ক্ষেত্ৰত এনে নামৰ ব্যৱহাৰ, এই বিষয়টোৰ পৰিস্থিতিৰ অধীনত এটা ভাল ব্যৱহাৰ বুলি বিবেচনা কৰে।

**আবেদন কৰিব পৰা ব্যক্তি।** ১৬। (১) ধাৰা ১৪ৰ অধীনত পঞ্জীয়নৰ বাবে এখন আবেদন, নিম্নলিখিত ব্যক্তিৰ দ্বাৰা দিয়া হব –

(ক) বৈচিত্ৰ্যৰ প্ৰজনক হবলৈ দাবী কৰা কোনো ব্যক্তি ; বা

(খ) বৈচিত্ৰ্যৰ প্ৰজনকৰ কোনো উত্তৰাধিকাৰী ;

(গ) এনে আবেদন কৰাৰ অধিকাৰৰ ক্ষেত্ৰত বৈচিত্ৰ্যৰ প্ৰজনকৰ স্বত্বনিয়োগী হোৱা কোনো ব্যক্তি ;

(ঘ) বৈচিত্ৰ্যৰ প্ৰজনক হবলৈ দাবী কৰা কোনো কৃষক বা কৃষকৰ বৰ্গ বা কৃষক সম্প্ৰদায় ; বা

(ঙ) খণ্ড (ক)ৰ পৰা খণ্ড (ঘ)ৰ অধীনত বিনিৰ্দ্দিষ্ট এজন ব্যক্তিৰ দ্বাৰা বিহিত ৰীতিত, তেওঁৰ হৃকে আবেদন কৰিবলৈ প্ৰাধিকৃত কোনো ব্যক্তি ; বা

(চ) বৈচিত্ৰ্যৰ প্ৰজনক বুলি দাবী কৰা কোনো বিশ্ববিদ্যালয় বা জনসাধাৰনেৰে বিত্তপোষিত হোৱা কোনো কৃষি প্ৰতিষ্ঠান।

(২) উপ-ধাৰা (১)ৰ অধীনত কোনো আবেদন, কোনো আন ব্যক্তিৰ সৈতে ব্যক্তিগতভাৱে বা যৌথভাৱে তাত উল্লিখিত ব্যক্তিসমূহৰ যিকোনোৰ দ্বাৰা কৰা হ'ব পাৰে।

**বাধ্যতামূলক বৈচিত্ৰ্যৰ নাম।** ১৭। (১) প্ৰত্যেক আবেদকে, বিনিয়মাৱলীৰ অনুসৰণত এই অধিনিয়মৰ অধীনত তেওঁ বিচৰা পঞ্জীয়ণৰ সম্বন্ধত এটা বৈচিত্ৰ্যলৈ এটা একক আৰু স্পষ্ট নাম নিৰ্দ্ধাৰণ কৰিব।

(২) প্ৰাধিকাৰীয়ে, আন্তঃৰাষ্ট্ৰীয় সন্মিলন বা চুক্তিৰ উপবন্ধক অৱধানত ৰাখি যিটোত ভাৰত এটা পক্ষ হয়, এটা বৈচিত্ৰ্যৰ নামৰ নিয়োগ নিৰ্দ্ধাৰণ পৰিচালনা কৰা বিনিয়মাৱলী প্ৰণয়ন কৰিব।

# উদ্ভিদ বৈচিত্র্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

(৩) য'ত বৈচিত্র্যলৈ নিয়োগ নিৰ্দ্ধাৰিত হোৱা নামে বিনিয়মাৱলীত বিনিৰ্দ্দিষ্ট কৰা অপেক্ষাকৰণ পূৰণ নকৰে, পঞ্জীয়কে এনে বিনিয়মৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সময়ৰ ভিতৰত আন নাম প্ৰস্তাৱ কৰিবলৈ আবেদকক অপেক্ষা কৰিব পাৰে।

১৯৯৯ ৰ ৪৭ (৪) পন্য চিহ্ন অধিনিয়ম, ১৯৯৯ ত কোনো কথা থকা স্বত্বেও, এটা বৈচিত্র্যলৈ নিয়োগ নিৰ্দ্ধাৰিত এটা নাম, এই অধিনিয়মৰ অধীনত এটা পন্য চিহ্ন ৰূপে পঞ্জীভুক্ত কৰা নহব।

**আবেদনৰ প্ৰপত্ৰ**

১৮। (১) ধাৰা ১৪ৰ অধীনত পঞ্জীয়নৰ বাবে কৰা প্ৰত্যেক আবেদন --

(ক) এটা বৈচিত্র্যৰ সম্বন্ধত হ'ব ;

(খ) আবেদনৰ দ্বাৰা এনে বৈচিত্র্যলৈ সমনুদেশিত কৰা নামৰ বৰ্ণনা দিব ;

(গ) আবেদকে শপথ লোৱা এখন শপথনামা গাঠি দিব যে এনে বৈচিত্র্যই সমাপনকাৰী প্ৰযুক্তি বিজ্ঞান জড়িত থকা কোনো অনুবংশ বা আনুবংশিক ঘটনাক অন্তৰ্ভুক্ত নকৰে ;

(ঘ) বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে প্ৰপত্ৰত হব ;

(ঙ) মূল ধাৰাৰ এটা সম্পূৰ্ণ পাৰপত্ৰ ডাটা ৰাখিব, যিটোৰ পৰা বৈচিত্র্য, ভাৰতবৰ্ষৰ ভৌগোলিক অৱস্থানৰ সৈতে একেলগে অনা হয় য'ৰ পৰা আনুবংশিক পদাৰ্থ আৰু বৈচিত্র্যৰ প্ৰজনন, উদ্ভাৱন বা বিকাশত কোনো কৃষক, গ্ৰামীন সম্প্ৰদায়, সংস্থা বা সংগঠনৰ অনুদান সম্পৰ্কত, যদি কিবা থাকে, এনে সকলো তথ্য লোৱা হৈছে ;

(চ) পঞ্জীয়নৰ বাবে অপেক্ষিত হোৱা অভিনৱত্ব, স্পষ্টতা, সমতা আৰু স্থিৰতাৰ বৈশিষ্ট্যৰ পৰা উদ্ভৱ হোৱা বৈচিত্র্যৰ এটা চমু বৰ্ণনা ৰাখি এটা বিবৃতি গাঠি দিয়া হ'ব ;

(ছ) বিহিত কৰা এনে মাচুল গাঠি দিয়া হ'ব ঃ

(জ) এটা ঘোষণা থাকিব যে, বৈচিত্র্যৰ প্ৰজনন, উদ্ভাৱন বা বিকাশৰ বাবে অৰ্জিত আনুবংশিক পদাৰ্থ বা মূল পদাৰ্থ বিধিপূৰ্ণ ভাৱে অৰ্জন কৰা হৈছে ; আৰু

(ঝ) বিহিত কৰা এনে আন সবিশেষবোৰ গাঠি দিয়া হব ;

পৰন্তু যদিহে য'ত কৃষকৰ বৈচিত্র্যৰ পঞ্জীয়নৰ বাবে এখন আবেদন কৰা হয়, খণ্ড (খ)ৰ পৰা খণ্ড (ঝ)ত থকা কোনো কথাই আবেদনখনৰ ক্ষেত্ৰত প্ৰযোজ্য নহব আৰু আবেদন, বিহিত কৰা দৰে এনে প্ৰপত্ৰত হ'ব।

(২) উপ-ধাৰা (১)ত নিৰ্দ্দেশিত প্ৰত্যেক আবেদন, পঞ্জীয়কৰ কাৰ্য্যালয়ত দাখিল কৰা হব।

(৩) য'ত এনে আবেদন, এজন উত্তৰাধিকাৰ বা পঞ্জীয়নৰ বাবে প্ৰয়োগৰ অধিকাৰৰ এটা আৰোপকৰণৰ বলত দিয়া হয়, আবেদন দিয়াৰ সময়ত বা বিহিত কৰা দৰে আবেদন দিয়াৰ পিছত এনে আবেদন দিয়াৰ সময়ত বা বিহিত কৰা দৰে আবেদন দিয়াৰ পিছত এনে সময়ত আবেদন কৰিবলৈ অধিকাৰৰ প্ৰমাণ দিয়া হব।

**পৰিচালনা কৰিবলগীয়া পৰীক্ষা।**

১৯। (১) প্ৰত্যেক আবেদকে, এই অধিনিয়মৰ অধীনত পঞ্জীয়ণৰ বাবে দিয়া আবেদনৰ সৈতে একেলগে পঞ্জীয়নৰ বাবে এটা বৈচিত্র্যৰ বীজৰ এনে পৰিমাণ পঞ্জীয়কলৈ সহজলভ্য কৰিব, যাৰ বিনিয়মনৰ দ্বাৰা বিহিত কৰা দৰে মূল পদাৰ্থৰ সৈতে একেলগে এনে বৈচিত্র্যৰ বীজে মানসমূহ সুসঙ্গত কৰিছে নে নাই, তাৰ মুল্যাঙ্কনৰ পৰীক্ষা পৰিচালনাৰ প্ৰয়োজনাৰ্থে, এখন আবেদন দিয়া হয় ঃ

পৰন্তু পঞ্জীয়ক বা কোনো ব্যক্তি বা পৰীক্ষা কেন্দ্ৰ যিজনলৈ এনে বীজ পৰীক্ষা পৰিচালনাৰ বাবে পঠিওৱা হয়, এনে বীজ তেওঁৰ বা ইয়াৰ দখলত এনে ৰীতিত আৰু এনে চৰ্ত্তত ৰখা হব যে ইয়াৰ জীৱন ক্ষমতা আৰু পৰিমাণ অপৰিৱৰ্ত্তিত হৈ থাকিব।

(২) আবেদকে উপ-ধাৰা (১)ত নিৰ্দ্দেশিত পৰীক্ষা পৰিচালনাৰ বাবে বিহিত কৰা এনে মাচুল জমা দিব।

(৩) উপ-ধাৰা (১)ত নিৰ্দ্দেশিত পৰীক্ষা, বিহিত কৰা এনে ৰীতিত আৰু এনে পদ্ধতিৰ দ্বাৰা, পৰিচালনা কৰা হ'ব।

## উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

**আবেদন বা ইয়াৰ সংশোধনৰ স্বীকাৰ।** ২০। (১) ধাৰা ১৪ৰ অধীনত এখন আবেদনৰ গ্ৰহণত, পঞ্জীয়কে, এনে আবেদনত থকা সবিশেষবোৰৰ সম্বন্ধত, তেওঁ উচিত ভবা দৰে, এনে তদন্ত কৰাৰ পিছত, আবেদন, সম্পূৰ্ণৰূপে বা তেওঁ উচিত গণ্য কৰা দৰে এনে চৰ্তাৱলী আৰু পৰিসীমাৰ সাপেক্ষে, স্বীকাৰ কৰিব পাৰে।

(২) য'ত পঞ্জীয়কে সন্তুষ্ট হয় যে আবেদনে এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়মাৱলী বা বিনিয়মাৱলীৰ অপেক্ষাকৰণবোৰ অনুপালন নকৰে, তেওঁ –

(ক) তেওঁৰ সন্তুষ্টিলৈ আবেদন সংশোধন কৰিবলৈ আবেদকক অপেক্ষিত কৰিব পাৰে ; বা

(খ) আবেদন অগ্ৰাহ্য কৰিব পাৰে ঃ

পৰন্তু কোনো আবেদন অগ্ৰাহ্য কৰা নহব যদিহে আবেদকক তেওঁৰ গোচৰ দাখিলকৰণৰ যুক্তিসঙ্গত সুযোগ দিয়া হোৱা নাই।

**আবেদনৰ বিজ্ঞাপন।** ২১। (১) য'ত এটা বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে এখন আবেদন সম্পূৰ্ণৰূপে গ্ৰহণ কৰা হয়, বা ধাৰা ২০ৰ উপ–ধাৰা (১)ৰ অধীনত চৰ্ত বা পৰিসীমাৰ সাপেক্ষে, পঞ্জীয়কে, ইয়াক গ্ৰহণ কৰাৰ পিছত যথা শীঘ্ৰে, চৰ্ত বা পৰিসীমাৰ সৈতে যদি কিবা থাকে, একেলগে, এনে আবেদন কাৰিত কৰিব, যাৰ সাপেক্ষে ইয়াক গ্ৰহণ কৰা হৈছে আৰু পঞ্জীয়নৰ বাবে বৈচিত্ৰ্যৰ বিনিৰ্দ্দিষ্টকৰণ যাৰ এনে আবেদন, বিষয়ত স্বাৰ্থজড়িত ব্যক্তিৰ পৰা আপত্তি আহ্বান কৰি, বিহিত ৰীতিত বিজ্ঞাপিত হবলৈ ইয়াৰ ফ'টো বা ছবি অন্তৰ্ভুক্ত কৰি, দিয়া হৈছে।

(২) কোনো ব্যক্তিয়ে বিজ্ঞাপনৰ পঞ্জীয়নৰ বাবে বিহিত মাচুলৰ আদায়ত, আবেদনৰ তাৰিখৰ পৰা তিনিমাহৰ ভিতৰত পঞ্জীয়নত তেওঁৰ বিৰোধিতা, বিহিত ৰীতিত লিখিত এখন জাননী, পঞ্জীয়কলৈ দিব।

(৩) উপ–ধাৰা (২)ৰ অধীনত পঞ্জীয়নৰ বিৰোধিতা, নিম্নলিখিত কাৰণৰ যিকোনোটোত কৰিব পাৰে, অৰ্থাৎ ঃ--

(ক) আবেদনৰ বিৰোধিতা কৰা ব্যক্তি, আবেদকৰ বিৰুদ্ধ ৰূপে প্ৰজনকৰ অধিকাৰলৈ হকদাৰ হয় ; বা

(খ) এই অধিনিয়মৰ অধীনত বৈচিত্ৰ্য পঞ্জীয়নযোগ্য নহয় ; বা

(গ) পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ মঞ্জুৰী জনসাধৰণৰ স্বাৰ্থত নহব পাৰে ; বা

(ঘ) বৈচিত্ৰ্যৰ, পৰিবেশৰ ওপৰত প্ৰতিকূল প্ৰভাৱ থাকিব পাৰে।

(৪) পঞ্জীয়কে, আবেদকৰ বিৰোধিতাৰ জাননীৰ এটা প্ৰতিলিপি পঞ্জীয়নৰ বাবে জাৰি কৰিব আৰু, আবেদকে, বিৰোধিতাৰ জাননীৰ এনে প্ৰতিলিপি গ্ৰহণ কৰাৰ পৰা দুমাহৰ ভিতৰত, বিহিত ৰীতিত আধাৰসমূহৰ যাৰ ওপৰত তেওঁ তেওঁৰ আবেদনৰ বাবে বিশ্বাস কৰে এটা প্ৰতি বিবৃতি পঞ্জীয়কলৈ পঠিয়াব, আৰু যদি তেওঁ এনে নকৰে তেওঁৰ আবেদন পৰিত্যক্ত কৰা হৈছে বুলি তেওঁক গণ্য কৰা হব।

(৫) যদিহে আবেদকে এনে প্ৰতিবিবৃতি প্ৰেৰণ কৰে, পঞ্জীয়কে, বিৰোধিতাৰ জাননী দিয়া ব্যক্তিক তাৰ এটা প্ৰতিলিপি জাৰি কৰিব।

(৬) কোনো সাক্ষ্য, যাৰ ওপৰত বিৰোধী আৰু আবেদকে বিশ্বাস কৰিব পাৰে, বিহিত ৰীতিত আৰু বিহিত সময়ৰ ভিতৰত, পঞ্জীয়কলৈ দাখিল কৰিব পাৰে আৰু পঞ্জীয়কে, যদিহে ইচ্ছা কৰে, তেওঁলোকক শুনানীৰ এটা সুযোগ দিব।

(৭) পঞ্জীয়কে, পক্ষসমূহক শুনাৰ পিছত, যদি এনে অপেক্ষিত হয়, আৰু সাক্ষ্য বিবেচনা কৰি, পঞ্জীয়ন অনুজ্ঞাপ্ৰাপ্ত হয় নে নহয় আৰু কেনে চৰ্তাৱলী আৰু পৰিসীমাৰ সাপেক্ষে হয়, যদি কিবা থাকে, বিনিশ্চয় কৰিব আৰু বিৰোধী বিশ্বাস্য হয় নে নহয় সেই বিষয়ে বিৰোধিতাৰ এটা আধাৰ বিবেচনাত লব পাৰে।

(৮) য'ত আপত্তিৰ জাননী দিয়া এজন ব্যক্তি বা ভাৰতবৰ্ষত বসবাস নকৰা বা ব্যৱসায় নচলোৱা, এটা প্ৰতিবিবৃতি পঠিওৱা এজন আবেদকে, এনে জাননীৰ এটা প্ৰতিলিপি গ্ৰহণ কৰাৰ পিছত, পঞ্জীয়কে তেওঁৰ সমক্ষত কাৰ্য্যবাহীৰ খৰচৰ বাবে তেওঁক প্ৰতিভূতি দিবলৈ অপেক্ষা কৰিব পাৰে আৰু সম্যকৰূপে দিয়া এনে প্ৰতিভূতিৰ ব্যতিক্ৰমত আপত্তি বা যথাস্থিতি, আবেদন পৰিত্যক্ত ৰূপে ধৰা হ'ব।

(৯) পঞ্জীয়কে, এটা অনুৰোধ ক্ৰমে, এনে কালাৱধিত আপত্তিৰ এখন জাননী বা প্ৰতি বিবৃতিত থকা কোনো ত্ৰুটীৰ শুদ্ধকৰণ বা কোনো সংশোধনীৰ অনুমতি দিব পাৰে যিদৰে তেওঁ উচিত বুলি ভাৱে।

**পঞ্জীয়কে আপত্তিৰ আধাৰ বিবেচনা কৰিব।**

২২। পঞ্জীয়কে সকলোবোৰ আধাৰ, যিবোৰৰ ওপৰত আবেদনৰ বিৰোধিতা কৰা হৈছে, বিবেচনা কৰিব পাৰে আৰু তেওঁৰ বিনিশ্চয়ৰ কাৰণে কাৰণ দিয়াৰ পিচত আদেশৰ দ্বাৰা আপত্তি সমৰ্থন কৰিব পাৰে বা আগ্ৰাহ্য কৰিব পাৰে।

## অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ পঞ্জীয়ন

**অত্যাৱশ্যকীয় ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ পঞ্জীয়ন।**

২৩। (১) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পঞ্জীয়নৰ বাবে ধাৰা ২৯ৰ উপ-ধাৰা ২ৰ অধীনত বিনিৰ্দ্দিষ্ট জিন বা প্ৰজাতিৰ অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ এখন আবেদন, ধাৰা ১৪ত নিৰ্দ্দেশিত কোনো ব্যক্তিৰ দ্বাৰা বা হকে আৰু ধাৰা ১৮ত বিনিৰ্দ্দিষ্ট ৰীতিত, পঞ্জীয়কলৈ দিয়া হব, যেনিবা ''বৈচিত্ৰ্য'' শব্দটোৰ স্থানত ''অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য'' শব্দসমূহ তাত প্ৰতিষ্ঠাপিত কৰা হৈছে আৰু এনে দস্তাৱেজ আৰু বিহিত কৰা মাচুল সহ দিয়া হব।

(২) যেতিয়া পঞ্জীয়কে সন্তুষ্ট হয় যে উপ-ধাৰা (১)ৰ অপেক্ষাকৰণবোৰ পালন কৰা হৈছে তেওঁ তেওঁৰ প্ৰতিবেদন আৰু সকলো সুসঙ্গঁত দস্তাৱেজসহ আবেদনখন প্ৰাধিকাৰীলৈ প্ৰেৰণ কৰিব।

(৩) উপ-ধাৰা (২)ৰ অধীনত এখন আবেদন প্ৰাপ্তিত, প্ৰাধিকাৰে অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য, বিহিত কৰা দৰে এনে পৰীক্ষা পৰিচালনা আৰু এনে প্ৰক্ৰিয়াৰ অনুসৰণৰ দ্বাৰা, মূল বৈচিত্ৰ্যৰ পৰা উৎপত্তি হোৱা এটা বৈচিত্ৰ্য হয় নে নহয়, সেই বিষয়ে নিৰ্দ্ধাৰণ কৰিবলৈ এনে অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যক পৰীক্ষণ কৰিব।

(৪) যেতিয়া প্ৰাধিকাৰী উপধাৰা (৩)ত নিৰ্দ্দেশিত পৰীক্ষাৰ প্ৰতিবেদনৰ ওপৰত সন্তুষ্ট হয় যে অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য মূল বৈচিত্ৰ্যৰ পৰা পোৱা হৈছে, তেতিয়া তেওঁ পঞ্জীয়কক, এনে অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যক পঞ্জীভুক্ত কৰিবলৈ নিৰ্দ্দেশ দিব পাৰে আৰু পঞ্জীয়কে প্ৰাধিকাৰীৰ নিৰ্দ্দেশৰ অনুপালন কৰিব।

(৫) য'ত প্ৰাধিকাৰীয়ে উপধাৰা (৩)ত নিৰ্দ্দেশিত পৰীক্ষাৰ প্ৰতিবেদনৰ ওপৰত যদি সন্তুষ্ট নহয় যে অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য যে মূল বৈচিত্ৰ্যৰ পৰা পোৱা হৈছে, তেওঁ আবেদনখন অস্বীকাৰ কৰিব।

(৬) ধাৰা ২৮ত থকা এটা বৈচিত্ৰ্যৰ প্ৰজনকৰ অধিকাৰ অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ প্ৰজনকলৈ প্ৰযোজ্য হব ঃ

পৰন্তু ধাৰা ২৮ৰ উপ-ধাৰা (২)ৰ অধীনত অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ প্ৰজনকলৈ মূল বৈচিত্ৰ্যৰ প্ৰজনকৰ দ্বাৰা প্ৰাধিকৰণ এনে নিৱন্ধন আৰু চৰ্ত্তাৱলীৰ সাপেক্ষে যেনেদৰে উভয় পক্ষই পাৰস্পৰিক ভাৱে সন্মত হয়।

(৭) এটা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য এই ধাৰাৰ অধীনত পঞ্জীভুক্ত কৰা নহব যদিহে তেওঁ ধাৰা ১৫ৰ অপেক্ষাকৰণবোৰত সন্তুষ্ট নহয়, যেনিবা ''বৈচিত্ৰ্য'' শব্দটোৰ স্থানত ''অত্যাৱশ্যকীয় ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য'' শব্দসমূহ তাত প্ৰতিষ্ঠাপিত কৰা হৈছে।

(৮) যেতিয়া এটা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য উপ-ধাৰা (৪)ৰ অধীনত প্ৰাধিকাৰৰ নিৰ্দ্দেশৰ অনুপালনত পঞ্জীয়কৰ দ্বাৰা পঞ্জীভুক্ত কৰা হয়, পঞ্জীয়কে বিহিত প্ৰপত্ৰত আৰু পঞ্জীয়কৰ চীল-মোহৰ মাৰি আবেদকলৈ পঞ্জীয়নৰ এখন প্ৰমাণ পত্ৰ জাৰি কৰিব আৰু ইয়াৰ এটা প্ৰতিলিপি, বিহিত কৰা দৰে প্ৰাধিকাৰী আৰু এনে আন প্ৰাধিকাৰীলৈ জনোৱাৰ বাবে প্ৰেৰণ কৰিব।

# উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

## অধ্যায়–IV

## পঞ্জীয়নৰ সময়সীমা, প্ৰভাৱ আৰু লাভালাভৰ অংশীদাৰ

**পঞ্জীয়নৰ প্ৰমাণ পত্ৰ জাৰি।**

২৪। (১) যেতিয়া এখন বৈচিত্ৰ্যৰ (অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ ব্যতিৰেকে) এখন আবেদন গ্ৰহণ কৰা হয়, অথবা–

(ক) আবেদন বিৰোধিতা কৰা হোৱা নাই আৰু বিৰোধিতাৰ সূচনা দিয়াৰ সময় সীমা পাৰ হৈ গৈছে ;

(খ) আবেদনখনৰ বিৰোধিতা কৰিছে আৰু বিৰোধিতা অগ্ৰাহ্য কৰা হৈছে, তেতিয়া পঞ্জীয়কে বৈচিত্ৰ্যৰ পঞ্জীয়ন কৰিব।

(২) (অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ ব্যতিৰেকে) বৈচিত্ৰ্যৰ পঞ্জীয়ন, পঞ্জীয়কে, বিহিত প্ৰপত্ৰত আৰু পঞ্জীয়কৰ চীল–মোহৰ মাৰি, আবেদকলৈ, পঞ্জীয়নৰ এখন প্ৰমাণপত্ৰ জাৰি আৰু ইয়াৰ প্ৰতিলিপি বিহিত কৰা দৰে প্ৰাধিকাৰী আৰু এনে আন প্ৰাধিকাৰীলৈ লাভালাভ অংশীদাৰ অংশীদাৰীৰ নিৰ্দ্ধাৰণৰ বাবে, প্ৰাধিকাৰীলৈ প্ৰেৰণ কৰিব। বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে আবেদন দাখিল কৰা তাৰিখৰ পৰা পঞ্জীয়নৰ প্ৰমাণপত্ৰ জাৰি কৰাৰ বাবে পঞ্জীয়কৰ দ্বাৰা অপেক্ষিত সৰ্বাধিক সময়, বিহিত কৰা দৰে এনে হ'ব।

(৩) (অত্যাবশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ ব্যতিৰেকে) য'ত এটা বৈচিত্ৰ্যৰ পঞ্জীয়ন, আবেদকৰ পক্ষত হোৱা ত্ৰুটীৰ বাবে আবেদন কৰা তাৰিখৰ পৰা বাৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰা নহয়, পঞ্জীয়কে, বিহিত ৰীতিত আবেদকক এখন জাননী দিয়াৰ পিছত, আবেদনখন পৰিত্যক্তৰূপে গণ্য কৰিব পাৰে যদিহে এইমৰ্ম্মে বিনিৰ্দ্দিষ্ট কৰা সময়ৰ ভিতৰত ইয়াক সম্পূৰ্ণ কৰা নহয়।

(৪) পঞ্জীয়কে, লিখাৰ ভুল বা এটা স্পষ্ট ভুলৰ শুদ্ধকৰণৰ প্ৰয়োজনাৰ্থে পঞ্জী বা পঞ্জীয়নৰ এখন প্ৰমাণপত্ৰৰ সংশোধন কৰিব পাৰে।

(৫) পঞ্জীয়কৰ, পঞ্জীয়নৰ বাবে আবেদনৰ দাখিল কৰা আৰু এনে আবেদকৰ ওপৰত প্ৰাধিকাৰীৰ দ্বাৰা লোৱা বিনিশ্চয়ৰ মাজৰ এই সময়ছোৱাত কোনো তৃতীয় পক্ষৰ দ্বাৰা সংঘটিত কোনো অপমানজনক কাৰ্য্য কৰাৰ বিৰুদ্ধে এজন প্ৰজনকৰ স্বাৰ্থত সুৰক্ষা দিবলৈ এনে নিৰ্দ্দেশনা জাৰি কৰিবলৈ ক্ষমতা থাকিব।

(৬) এই ধাৰা বা ধাৰা ২৩ৰ উপ–ধাৰা (৮)ৰ অধীনত জাৰি কৰা পঞ্জীয়নৰ প্ৰমাণপত্ৰ গছ আৰু লতাৰ ক্ষেত্ৰত ন বছৰলৈ বৈধ হ'ব আৰু আন শস্যৰ ক্ষেত্ৰত ছয় বছৰলৈ বৈধ হ'ব আৰু এইমৰ্ম্মে প্ৰণীত নিয়মাৱলীৰ দ্বাৰা স্থিৰ কৰা দৰে এনে মাচুলৰ আদায়ত অৱশিষ্ট অৱধিৰ বাবে এনে চৰ্ত্তাৱলীৰ সাপেক্ষে পুনৰীক্ষণ আৰু নৱীকৰণ কৰিব পাৰে, যে বৈধতাৰ মুঠ অৱধি,–

(i) গছ আৰু লতাৰ ক্ষেত্ৰত বৈচিত্ৰ্যৰ পঞ্জীয়নৰ তাৰিখৰ পৰা ওঠৰ বছৰতকৈ অধিক নহয়।

(ii) বিদ্যমান বৈচিত্ৰ্যৰ ক্ষেত্ৰত, বীজ অধিনিয়ম, ১৯৬৬ৰ ধাৰা ৬ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সেই বৈচিত্ৰ্যৰ অধিসূচনাৰ তাৰিখৰ পৰা পোন্ধৰ বছৰৰ অধিক নহব, আৰু

(iii) আন ক্ষেত্ৰত, বৈচিত্ৰ্যৰ পঞ্জীয়নৰ তাৰিখৰ পৰা পোন্ধৰ বছৰৰ অধিক নহব।

**বৈচিত্ৰ্যৰ তালিকাৰ প্ৰকাশন।**

২৫। প্ৰাধিকাৰীয়ে সমুচিত বিবেচনা কৰি এনে ব্যৱধানৰ ভিতৰত বৈচিত্ৰ্যৰ তালিকা প্ৰকাশ কৰিব যিটো সেই ব্যৱধানৰ সময়ত পঞ্জীভুক্ত কৰা হৈছে।

**প্ৰাধিকাৰীৰ দ্বাৰা ভাগ লোৱা লাভালাভৰ নিৰ্দ্ধাৰণ।**

২৬। (১) ধাৰা ২৩ৰ উপ–ধাৰা (৮)বা ধাৰা ২৪ৰ উপ–ধাৰা (২)ৰ অধীনত পঞ্জীয়কৰ প্ৰমাণপত্ৰৰ এটা প্ৰতিলিপিৰ গ্ৰহণত প্ৰাধিকাৰীয়ে, প্ৰমাণপত্ৰৰ এনে সবিশেষ প্ৰকাশ কৰিব আৰু বিহিত কৰা এনে ৰীতিত এনে প্ৰমাণপত্ৰৰ অধীনত পঞ্জীভুক্ত বৈচিত্ৰ্যৰ ভাগ লোৱা লাভালাভৰ দাবী কৰিব।

(২) উপ–ধাৰা (১)ৰ অধীনত দাবীৰ আহ্বানত কোনো ব্যক্তি বা ব্যক্তি বৰ্গ বা চৰকাৰী বা বেচৰকাৰী সংগঠনে, এনে অৱধিৰ ভিতৰত বিহিত প্ৰপত্ৰত এনে বৈচিত্ৰ্যৰ অংশৰ দাবী দাখিল কৰিব আৰু বিহিত কৰা এনে মাচুল দিব ঃ

## উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

পৰন্তু এনে দাবী কেৱল উপস্থাপিত কৰা হ'ব –

(i) কোনো ব্যক্তি বা ব্যক্তি সমষ্টিৰ দ্বাৰা যদিহে এনে সমষ্টি গঠন কৰা এনে ব্যক্তি বা প্ৰত্যেক ব্যক্তি ভাৰতবৰ্ষৰ এজন নাগৰিক হয় ; বা

(ii) কোনো ফাৰ্ম বা চৰকাৰী বা বেচৰকাৰী সংগঠনৰ দ্বাৰা যদিহে এনে ফাৰ্ম বা সংগঠন ভাৰতবৰ্ষত গঠিত বা স্থাপিত কৰা হয়।

(৩) উপ-ধাৰা (২)ৰ অধীনত এটা দাবীৰ গ্ৰহণত প্ৰাধিকাৰীয়ে এনে প্ৰমাণ পত্ৰৰ অধীনত পঞ্জীভুক্ত বৈচিত্ৰ্যৰ প্ৰজনকলৈ এনে দাবীৰ এটা প্ৰতিলিপি প্ৰেৰণ কৰিব আৰু প্ৰজনকে এনে প্ৰতিলিপি প্ৰাপ্তিত, বিহিত কৰা এনে তাৰিখৰ ভিতৰত আৰু এনে ৰীতিত এনে দাবীত আপত্তি দাখিল কৰিব পাৰে।

(৪) প্ৰাধিকাৰীয়ে পক্ষসমূহৰ শুনানীৰ এটা সুযোগ দিয়াৰ পিচত উপধাৰা (২)ৰ অধীনত প্ৰাপ্ত দাবী নিস্পত্তি কৰিব।

(৫) যেতিয়া উপধাৰা (৪)ৰ অধীনত দাবীৰ নিস্পত্তি চলি থাকে, প্ৰাধিকাৰীয়ে, লাভৰ অংশৰ পৰিমাণ, যদি কিবা থাকে, ইয়াৰ আদেশত স্পষ্টভাৱে নিৰ্দ্দেশিত কৰিব যিটোৰ বাবে দাবীদাৰ হকদাৰ হ'ব আৰু নিম্নলিখিত বিষয়সমূহ বিবেচনা কৰিব, অৰ্থাৎ ঃ–

(ক) বৈচিত্ৰ্য বিকাশত দাবীদাৰৰ আনুষঙ্গিক ব্যৱহাৰৰ বিস্তাৰ আৰু প্ৰকৃতি যিটোৰ সম্বন্ধত লাভৰ অংশ দাবী কৰা হয়।

(খ) বৈচিত্ৰ্যৰ বজাৰত ব্যৱসায়িক উপযোগিতা আৰু দাবী যিটোৰ সম্বন্ধত লাভৰ অংশ দাবী কৰা হয়।

(৬) এই ধাৰাৰ অধীনত নিৰ্দ্ধাৰিত এটা বৈচিত্ৰ্যৰ লাভৰ অংশৰ পৰিমাণ, ৰাষ্ট্ৰীয় জৈৱিক নিধিত ধাৰা ৪৫ৰ উপধাৰা (১)ৰ খণ্ড (ক)ত নিৰ্দ্দেশিত ৰীতিত এনে বৈচিত্ৰ্যৰ প্ৰজনকৰ দ্বাৰা, জমা কৰা হ'ব।

(৭) এই ধাৰাৰ অধীনত নিৰ্দ্ধাৰিত লাভৰ অংশৰ পৰিমাণ, বিহিত ৰীতিত প্ৰাধিকাৰীৰ দ্বাৰা দিয়া এটা নিৰ্দ্দেশৰ ওপৰত, জিলা দণ্ডাধীশৰ দ্বাৰা, ৰাজহৰ এটা বকেয়া ৰূপে পুনৰ আদায়যোগ্য হ'ব, যাৰ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত এনে লাভৰ অংশৰ বাবে দায়ী প্ৰজনকে বাস কৰে।

**প্ৰজনকে বীজ বা বিদ্যমান সামগ্ৰী জমা কৰিব।**

২৭। (১) প্ৰজনকক সেই বিনিয়মত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সময়ৰ ভিতৰত প্ৰজনকৰ খৰচত পুনৰ উৎপাদনৰ প্ৰয়োজনাৰ্থে, বিনিয়মত বিনিৰ্দ্দিষ্ট কৰা দৰে ৰাষ্ট্ৰীয় জৈৱিক বেংকত পঞ্জীভুক্ত বৈচিত্ৰ্যৰ মূল ধাৰাৰ বীজ অন্তৰ্ভুক্ত কৰি বীজ বা প্ৰসাৰ সামগ্ৰীৰ এনে পৰিমাণ জমা দিবলৈ অপেক্ষিত কৰা হ'ব।

(২) উপ-ধাৰা (১)ৰ অধীনত জমা দিবলগীয়া বীজ বা প্ৰসাৰ সামগ্ৰী বা মূল ধাৰা বীজ, প্ৰাধিকাৰৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা ৰাষ্ট্ৰীয় জৈৱিক বেংকত জমা কৰা হ'ব।

**অধিকাৰ প্ৰদান কৰিবলৈ পঞ্জীয়ন।**

২৮। (১) এই অধিনিয়মৰ আন উপন্ধাৱলীৰ সাপেক্ষে, এই অধিনিয়মৰ অধীনত এটা বৈচিত্ৰ্যৰ বাবে জাৰি কৰা এখন প্ৰমাণপত্ৰ বা পঞ্জীয়নে, বৈচিত্ৰ্যৰ উৎপাদন, বিক্ৰী, বজাৰ, বিতৰণ, আমদানি বা ৰপ্তানি কৰিবলৈ প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰী, তেওঁৰ এজেন্ট বা অনুজ্ঞাপত্ৰধাৰীক এটা অনন্য অধিকাৰ প্ৰদান কৰিব ঃ

**১৯৬৪ৰ ৫৪**

পৰন্তু এটা বিদ্যমান বৈচিত্ৰ্যৰ ক্ষেত্ৰত যদিহে প্ৰজনকে বা তেওঁৰ উত্তৰাধিকাৰীয়ে তেওঁৰ অধিকাৰ প্ৰতিষ্ঠিত নকৰে, কেন্দ্ৰীয় চৰকাৰক আৰু এনে ক্ষেত্ৰত য'ত এনে বিদ্যমান বৈচিত্ৰ্যৰ বীজ অধিনিয়মৰ ধাৰা ৫ৰ অধীনত এখন ৰাজ্যৰ বাবে বা তাৰ কোনো অঞ্চলৰ বাবে অধিসূচিত কৰা হয়, তাত ৰাজ্য চৰকাৰক, এনে অধিকাৰৰ মালিক বুলি গণ্য কৰা হ'ব ।

(২) প্ৰজনকে বিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে পৰিসীমা আৰু চৰ্ত্তাৱলীৰ সাপেক্ষে এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত বৈচিত্ৰ্যৰ উৎপাদন, বিক্ৰী, বজাৰ কৰিবলৈ বা অন্যথা সদ্ব্যৱহাৰ কৰিবলৈ কোনো ব্যক্তিক প্ৰাধিকৃত কৰিব পাৰে।

## উদ্ভিদ বৈচিত্র্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

(৩) এই ধাৰাৰ অধীনত প্ৰত্যেক প্ৰাধিকৰণ, বিনিয়মৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে প্ৰপত্ৰত হ'ব।

(৪) য'ত উপ-ধাৰা (১)ত নিৰ্দ্দেশিত এজন এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰী এটা বৈচিত্ৰ্যৰ উৎপাদন, বিক্ৰী, বজাৰ, বিতৰণ, আমদানি বা ৰপ্তানি কৰিবলৈ হকদাৰ হয়, তেওঁ পঞ্জীয়কলৈ, বিহিত ৰীতিত আৰু বিহিত মাচুলসহ তেওঁ স্বত্বৰ পঞ্জীভুক্ত কৰিবলৈ, আবেদন কৰিব আৰু পঞ্জীয়কে আবেদন প্ৰাপ্তিত আৰু তেওঁৰ সন্তুষ্টিত স্বত্বৰ প্ৰমাণৰ ওপৰত, বৈচিত্ৰ্যৰ ক্ষেত্ৰত যিটোৰ বাবে তেওঁ এনে অধিকাৰৰ বাবে হকদাৰ হয় এজন এজেণ্ট বা যথাস্থিতি এজন অনুজ্ঞাপত্ৰধাৰীৰূপে তেওঁক পঞ্জীয়ন কৰিব আৰু পঞ্জীত প্ৰৱিষ্ট হ'বলগীয়া এনে হকদাৰী আৰু চৰ্ত্তাৱলী বা নিৱৰ্দ্ধন যদি কিবা থাকে, যিবোৰৰ সাপেক্ষে এনে হকদাৰী কৰা হয়, সবিশেষ কাৰিত কৰিবঃ

পৰন্তু যেতিয়া এনে হকদাৰীত্বৰ বৈধতা, পক্ষসমূহৰ মাজত বিবাদত থাকে, পঞ্জীয়কে হকদাৰীত্ব পঞ্জীভুক্ত কৰিবলৈ অস্বীকাৰ কৰিব পাৰে আৰু প্ৰাধিকাৰীলৈ বিষয়টো বিহিত ৰীতিত প্ৰেৰণ কৰিব পাৰে আৰু এনে হকদাৰীত্ব পঞ্জীয়ন বন্ধ কৰি ৰাখিব পাৰে যেতিয়ালৈকে এনেদৰে নিৰ্দ্দেশিত বিবাদত থকা পক্ষসমূহৰ অধিকাৰ প্ৰাধিকাৰীৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা নহয়।

(৫) পঞ্জীয়কে এনে পঞ্জীয়নৰ পিছত উপ-ধাৰা (৪)ৰ অধীনত পঞ্জীয়কলৈ পঞ্জীয়নৰ এখন প্ৰমাণপত্ৰ জাৰি কৰিব আৰু হকদাৰীত্বৰ চমু চৰ্ত্তাৱলী, যদি কিবা থাকে, বিহিত ৰীতিত প্ৰমাণপত্ৰ প্ৰৱিষ্টি কৰিব আৰু এনে প্ৰমাণপত্ৰৰ এনে হকদাৰীত্ব আৰু ইয়াৰ চৰ্ত্তাৱলী বা নিৱৰ্দ্ধনৰ যদি কিবা থাকে, নিশ্চায়ক প্ৰমাণ হ'ব।

(৬) উপ-ধাৰা (৪)ৰ অধীনত এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ এটা পক্ষ, এজন এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীৰ মাজত থকা এটা অধিকাৰৰ কোনো চুক্তিৰ সাপেক্ষে তাৰ অতিলঙ্ঘন নিবাৰণ কৰিবলৈ প্ৰজনক বা সেই বিষয়ে তেওঁৰ উত্তৰাধিকাৰীক, কাৰ্য্যবাহী কৰিবলৈ আহ্বান কৰিবলৈ হকদাৰ কৰা হ'ব আৰু যদিহে প্ৰজনক বা উত্তৰাধিকাৰীয়ে এনেদৰে আহ্বান কৰাৰ পিছত তিনি মাহৰ ভিতৰত এনে কৰিবলৈ অস্বীকাৰ বা অৱহেলা কৰে, এনে পঞ্জীভুক্ত এজেণ্ট বা অনুজ্ঞাধাৰীয়ে প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰীক প্ৰতিবাদী সজাই ৰুজু কৰিব পাৰে যেনিবা তেওঁ এজন প্ৰজনকহে আছিল।

(৭) কোনো আন বিধিত কোনো কথা থকা স্বত্বেও, এনেদৰে প্ৰতিবাদীৰূপে থকা এজন প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰী কেনো খৰচৰ বাবে দায়ী নহব যদিহে তেওঁ হাজিৰ নহয় আৰু কাৰ্য্যবাহীত অংশ গ্ৰহণ নকৰে।

(৮) এই ধাৰাৰ কোনো কথাই, এটা বৈচিত্ৰ্যৰ এজন পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাধাৰীৰ ওপৰত, সেই বিষয়ে এনে অতিৰিক্ত অধিকাৰৰ অন্তৰণ কৰিবলৈ কোনো অধিকাৰ প্ৰদান নকৰিব।

(৯) উপ-ধাৰা (৪)ৰ অধীনত পঞ্জীয়নৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ পঞ্জীয়নৰ অৱধি-

(ক) বৈচিত্ৰ্যৰ, সম্বন্ধে যিটোৰ ক্ষেত্ৰত, বা কোনো চৰ্ত্তাৱলী বা নিৰ্বন্ধন যিবোৰৰ সাপেক্ষে, পঞ্জীয়কৰ দ্বাৰা বৈষম্যিত কৰা হয়, এনে বৈচিত্ৰ্যৰ পঞ্জীভুক্ত প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰীৰ বিহিত ৰীতিত কৰা এখন আবেদনৰ প্ৰাপ্তিত, ইয়াৰ প্ৰভাৱ থাকে ;

(খ) এনে বৈচিত্ৰ্যৰ পঞ্জীভুক্ত প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰীৰ বা এনে বৈচিত্ৰ্যৰ পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীয়ে বিহিত ৰীতিত দিয়া এখন আবেদনৰ ওপৰত পঞ্জীয়কৰ দ্বাৰা বাতিল কৰিব পাৰে ;

(গ) নিম্নলিখিত আধাৰ সমূহৰ যিকোনোটোৰ ওপৰত প্ৰজনক, তেওঁৰ উত্তৰাধিকাৰী, পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীৰ ভিন্ন কেনো ব্যক্তিয়ে বিহিত ৰীতিত কৰা এখন আবেদনৰ ওপৰত পঞ্জীয়কৰ দ্বাৰা বাতিল কৰিব পাৰে ; অৰ্থাৎ ঃ-

(i) এটা বৈচিত্ৰ্যৰ প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰী বা এনে বৈচিত্ৰ্যৰ পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীয়ে উপ-ধাৰা (৪)ৰ অধীনত পঞ্জীয়নৰ বাবে আবেদনত কিছুমান প্ৰকৃত তথ্যৰ মিথ্যা বৰ্ণনা দিয়ে বা প্ৰকাশ কৰিবলৈ অসফল হয় যিটো যদিহে সঠিকভাৱে বৰ্ণনা বা প্ৰকাশ কৰিলেহেঁতেন, তেন্তে পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীৰ পঞ্জীয়নৰ বাবে থকা আবেদনৰ অস্বীকাৰ ন্যায্য হলহেঁতেন ;

## উদ্ভিদ বৈচিত্র্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

(ii) কোনো এটা সংবিদাৰ বলত যিটোৰ সম্পাদনত তেওঁৰ স্বাৰ্থ নিহিত আছে আবেদকৰ ন্যস্ত অধিকাৰক অৱধানত ৰাখি পঞ্জীয়নক প্ৰভাৱী কৰাটো উচিত নহয়, যিটোৰ সম্পাদনত তেওঁৰ স্বাৰ্থ আছে;

(ঘ) এটা পঞ্জীভুক্ত এজেণ্ট বা যথাস্থিতি পঞ্জীভুক্ত অনুজ্ঞাধাৰী আৰু বৈচিত্ৰ্যৰ সম্বন্ধত এনে প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰীৰ মাজত চুক্তি থকা কোনো পূৰ্বচৰ্ত্ত, এজন এজেণ্ট বা অনুজ্ঞাধাৰী পঞ্জীভুক্ত হোৱাত, বলবৎ নোহোৱা বা অনুপালন নোহোৱা কাৰণত, পঞ্জীভুক্ত বৈচিত্ৰ্যৰ এজন প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰীয়ে বিহিত ৰীতিত দিয়া এখন আবেদন পঞ্জীয়কৰ দ্বাৰা বাতিল কৰিব পাৰে।

(ঙ) কোনো ব্যক্তিৰ বিহিত ৰীতিত কৰা এখন আবেদনৰ ওপৰত পঞ্জীয়ক এনে আধাৰৰ ওপৰত বাতিল কৰিব পাৰে যে পঞ্জীয়ন সম্বন্ধিত বৈচিত্ৰ্য তেতিয়ালৈ বিদ্যমান নহয়।

(১০) পঞ্জীয়কে, এটা বৈচিত্ৰ্যৰ পঞ্জীভুক্ত প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰীলৈ আৰু এনে বৈচিত্ৰ্যৰ (আবেদক নোহোৱা) প্ৰত্যেক পঞ্জীভুক্ত এজেণ্ট পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীলৈ, এই ধাৰাৰ অধীনত, বিহিত ৰীতিত, প্ৰত্যেক আবেদনৰ সূচনা জাৰি কৰিব।

(১১) পঞ্জীয়কে, উপ–ধাৰা ৯ৰ অধীনত কোনো আদেশ দিয়াৰ পূৰ্বে, প্ৰাধিকাৰীৰ বিবেচনাৰ বাবে উপ–ধাৰা (১০)ৰ অধীনত জাননী দিয়াৰ পিছত কোনো পক্ষৰ দ্বাৰা প্ৰাপ্ত কোনো আপত্তিৰ সৈতে একেলগে সেই মৰ্ম্মে দিয়া আবেদন প্ৰেৰণ কৰিব আৰু প্ৰাধিকাৰীয়ে, ই উচিত ভবাদৰে, এনে তদন্ত কৰাৰ পিছত, তেওঁ উচিত ভৱাদৰে পঞ্জীয়কলৈ এনে নিৰ্দ্দেশ জাৰি কৰিব পাৰে আৰু পঞ্জীয়কে এনে নিৰ্দ্দেশনাৰ অনুসৰণত আবেদন নিষ্পত্তি কৰিব।

**কেতবোৰ বৈচিত্ৰ্যৰ বহিঃস্কৰণ।**

২৯। (১) এই অধিনিয়মত কোনো কথা থকা স্বত্বেও, এটা বৈচিত্ৰ্যৰ কোনো পঞ্জীয়ন এই অধিনিয়মৰ অধীনত কৰা নহব, য'ত এনে বৈচিত্ৰ্যৰ বাণিজ্যিক শোষণৰ প্ৰতিৰোধ, এই জন আদেশ বা জন নৈতিকতা বা মানৱ, পশু আৰু বৃক্ষ জীৱন আৰু স্বাস্থ্যক সুৰক্ষা দিবলৈ বা পৰিবেশৰ গুৰুতৰ প্ৰতিকূল প্ৰভাৱ ৰোধ কৰিবলৈ আৱশ্যক হয়।

(২) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ অধীনত বিদ্যমান বৈচিত্ৰ্য আৰু কৃষকৰ বৈচিত্ৰ্যৰ ভিন্ন বৈচিত্ৰ্যৰ পঞ্জীয়নৰ প্ৰয়োজনাৰ্থে জীন বা প্ৰজাতি বিনিৰ্দ্দিষ্ট কৰিব।

(৩) উপ–ধাৰা (২) আৰু ধাৰা ১৫ৰ উপ–ধাৰা(১) আৰু উপ–ধাৰা(২)ত কোনো কথা থকা স্বত্বেও কোনো জীন বা প্ৰজাতিৰ কোনো বৈচিত্ৰ্য যিয়ে কোনো প্ৰযুক্তিক জড়িত কৰে, যিবোৰ মানৱ, পশু বা বৃক্ষৰ জীৱন বা স্বাস্থ্যৰ বাবে হানিকাৰক হয় এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কৰা নহব।

**স্পষ্টীকৰণ** ঃ- এই উপ–ধাৰাৰ প্ৰয়োজনাৰ্থে "কোনো বিদ্যা" অভিব্যক্তিয়ে অনুবংশ ব্যৱহাৰ নিৰ্দ্ধাৰন প্ৰযুক্তি বিজ্ঞান আৰু সমাপনকাৰী প্ৰযুক্তিক অন্তৰ্ভুক্ত কৰে।

(৪) কেন্দ্ৰীয় চৰকাৰে, জনসাধাৰণৰ স্বাৰ্থৰ ব্যতিৰেকে, উপ–ধাৰা (২)ৰ অধীনত জাৰি কৰা এখন অধিসূচনাত বিনিৰ্দ্দিষ্ট জীন বা প্ৰজাতিৰ তালিকাৰ পৰা কোনো জীন বা প্ৰজাতি মচি নেপেলাব।

(৫) উপ–ধাৰা (৪)ৰ অধীনত বহিঃস্কৃত জীন বা প্ৰজাতিৰ ভিতৰত থকা কোনো বৈচিত্ৰ্য, এই অধিনিয়মৰ অধীনত কোনো সুৰক্ষাৰ বাবে যোগ্য নহব।

**গবেষকৰ অধিকাৰ।**

৩০। এই অধিনিয়মৰ কোনো কথাই বাধা নিদিব –

(ক) সংপৰীক্ষা বা গবেষণা পৰিচালনাৰ বাবে এই বৈচিত্ৰ্য ব্যৱহাৰ কৰা কোনো ব্যক্তিৰ দ্বাৰা এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কোনো বৈচিত্ৰ্যৰ ব্যৱহাৰ ; বা

(খ) আন বৈচিত্ৰ্যৰ সৃষ্টি কৰাৰ প্ৰয়োজনাৰ্থে বৈচিত্ৰ্যৰ এটা মূল উৎস ৰূপে কোনো ব্যক্তিৰ দ্বাৰা এটা বৈচিত্ৰ্যৰ ব্যৱহাৰ ঃ

পৰন্তু এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ প্ৰজনকৰ প্ৰাধিকৰণ অপেক্ষিত কৰা হয় য'ত এটা সূত্ৰৰূপে এনে বৈচিত্ৰ্যৰ পুনৰাবৃত্তি ব্যৱহাৰ, এনে আন নতুন বিকশিত বৈচিত্ৰ্যৰ বাণিজ্যিক উৎপাদনৰ বাবে আৱশ্যক হয়।

## উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

**সন্মিলন দেশসমূহৰ নাগৰিকৰ পঞ্জীয়নৰ বাবে আবেদন সম্বন্ধিত বিশেষ উপবন্ধবোৰ।**

৩১। (১) এটা চুক্তিৰ পৰিপূৰ্ণকৰণৰ উদ্দেশ্যে, ভাৰতবৰ্ষৰ বাহিৰৰ কোনো দেশৰ সৈতে সন্মিলন বা ব্যৱস্থাপন, ইয়াৰ নিজা নাগৰিকলৈ মঞ্জুৰ কৰা দৰে সদৃশ বিশেষাধিকাৰ, ভাৰতৰ নাগৰিকক দিবলৈ সমৰ্থ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰ অধিসূচনা দ্বাৰা, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে এনে দেশক সন্মিলন দেশ বুলি ঘোষণা কৰিব পাৰে।

(২) য'ত এজন ব্যক্তিয়ে এটা বৈচিত্ৰ্যালৈ এজন প্ৰজনকৰ অধিকাৰৰ মঞ্জুৰীৰ বাবে বা এখন সন্মিলন দেশত বৈচিত্ৰ্যৰ চৰকাৰী পঞ্জীত এনে বৈচিত্ৰ্যৰ প্ৰবিষ্টিৰ বাবে এখন আবেদন দিয়ে আৰু ধাৰা ১৪ বা ধাৰা ২৩ৰ অধীনত সেই ব্যক্তিক তেওঁৰ হকে আবেদন দিবলৈ হকদাৰ হোৱা কোনো ব্যক্তিয়ে সন্মিলন দেশত আবেদন দিয়া তাৰিখৰ পিছত বাৰ মাহৰ ভিতৰত ভাৰতবৰ্ষত এনে বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে আবেদন কৰে, এনে বৈচিত্ৰ্য যদিহে এই অধিনিয়মৰ অধীনত, পঞ্জীভুক্ত হয়, সন্মিলন দেশত আবেদন কৰা তাৰিখ ৰূপে পঞ্জীভুক্ত হ'ব আৰু সেই তাৰিখক, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে পঞ্জীয়নৰ তাৰিখ বুলি গণ্য কৰা হ'ব।

(৩) য'ত এটা বৈচিত্ৰ্যলৈ প্ৰজনকৰ অধিকাৰ মঞ্জুৰীৰ বাবে বা দুই বা ততোধিক সন্মিলন দেশত বৈচিত্ৰ্যৰ চৰকাৰী পঞ্জীত এনে বৈচিত্ৰ্যৰ প্ৰবিষ্টিৰ বাবে আবেদন দিয়া হয়, উপ–ধাৰা (২)ত নিৰ্দ্দেশিত বাৰ মাহৰ কালছোৱা সেই তাৰিখৰ পৰা গণনা কৰা হ'ব যি তাৰিখত আগতীয়া বা অতি আগতীয়াকৈ আবেদনবোৰ কৰা হৈছিল।

(৪) এই অধিনিয়মৰ কোনো কথাই, এই অধিনিয়মৰ অধীনত সুৰক্ষিত হোৱাৰ অন্যথা অধিকাৰ অতিলঙ্ঘনৰ বাবে এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ প্ৰজনকক হকদাৰ নকৰিব যিটোৱে এই অধিনিয়মৰ অধীনত পঞ্জীয়নৰ আবেদনৰ তাৰিখৰ পূৰ্ব্বে ঘটিছিল।

**পৰস্পৰতাৰ বিষয়ে উপবন্ধ।**

৩২। য'ত ধাৰা ৩১ৰ উপ–ধাৰা (১)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে, এইমৰ্ম্মে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ঘোষণা কৰা কোনো আদেশে, এটা বৈচিত্ৰ্যৰ পঞ্জীয়ন আৰু সুৰক্ষাৰ ক্ষেত্ৰত, ইয়াৰ নিজা নাগৰিকক সম্বন্ধিত কৰা দৰে একে অধিকাৰ ভাৰতীয় নাগৰিকলৈ সম্বন্ধিত নকৰে, এনে দেশৰ কোনো নাগৰিকে এটা বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে আবেদন কৰিবলৈ হয় অকলে বা কোনো আন ব্যক্তিৰ সৈতে যৌথভাৱে হকদাৰ নহ'ব বা এই অধিনিয়মৰ অধীনত এটা পঞ্জীভুক্ত বৈচিত্ৰ্য লাভ কৰিবলৈ হকদাৰ নহব।

### অধ্যায়–V

### প্ৰমাণপত্ৰৰ সমৰ্পণ আৰু প্ৰত্যাহাৰ আৰু পঞ্জীৰ সংশোধন আৰু শুদ্ধতা

**পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ সমৰ্পণ।**

৩৩। (১) এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এটা বৈচিত্ৰ্যৰ এজন প্ৰজনকে পঞ্জীয়কলৈ বিহিত ৰীতিত এখন সূচনা দি যি কোনো সময়ত, তেওঁৰ পঞ্জীয়নৰ প্ৰমাণপত্ৰ সৰ্মপণ কৰিবলৈ প্ৰস্তাৱ দিব পাৰে।

(২) য'ত এনে এটা প্ৰস্তাৱ দিয়া হয়, পঞ্জীয়কে বিহিত ৰীতিত এনে প্ৰমাণপত্ৰৰ সম্বন্ধীয় প্ৰত্যেক পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীক সূচনা দিব।

(৩) এনে যিকোনো এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীয়ে এনে অধিসূচনাৰ পিছত বিহিত অবধিৰ ভিতৰত, তেওঁৰ বিৰোধকৰ পঞ্জীয়কলৈ সমৰ্পণৰ জাননী দিব পাৰে আৰু য'ত সূচনা দিয়া হ'ল, পঞ্জীয়কে এনে বৈচিত্ৰ্যৰ প্ৰজনকলৈ এনে সূচনাৰ বিষয়বস্তুৰ জাননী দিব।

(৪) যদিহে পঞ্জীয়কে, আবেদক আৰু সকলো প্ৰতিবাদীক শুনিবলৈ ইচ্ছুক হয়, শুনানী লোৱাৰ পিছত সন্তুষ্ট হয় যে পঞ্জীয়নৰ প্ৰমাণপত্ৰ উচিতৰূপে সমৰ্পিত কৰা হৈছে, তেওঁ প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰে আৰু আদেশৰ দ্বাৰা পঞ্জীয়নৰ প্ৰমাণপত্ৰ প্ৰত্যাহাৰ কৰিব পাৰে।

**কেতবোৰ আধাৰৰ ওপৰত সুৰক্ষাৰ প্ৰত্যাহাৰ।**

৩৪। এই অধিনিয়মত থকা উপবন্ধাৱলীৰ সাপেক্ষে, এটা বৈচিত্ৰ্যৰ ক্ষেত্ৰত এজন প্ৰজনকলৈ মঞ্জুৰী কৰা সুৰক্ষা, কোনো স্বাৰ্থজড়িত ব্যক্তিৰ এখন আবেদনৰ ওপৰত বিহিত ৰীতিত, নিম্নলিখিত আধাৰৰ যিকোনোটোৰ ওপৰত প্ৰাধিকাৰৰ দ্বাৰা প্ৰত্যাহাৰ কৰিব পাৰে, অৰ্থাৎ –